Content includes AI-generated material

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

## জ্যেষ্ঠ বিজেপি নেতা হৰেকৃষ্ণ ভৰালীৰ বিয়োগ



বিতং বাতৰি ৭ পৃষ্ঠাত

THURSDAY, FEBRUARY 27, 2025 ■বৃহস্পতিবাৰ, ১৪ ফাগুন, ১৯৪৬ শকাব্দ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৬২ Guwahati, Assam ।। মূল্যঃ এটকা



পীযুষ গোৱেলৰ সৈতে সৰ্বানন্দ, গুৱাহাটীত

### ড০ গোহাঁইৰ বিবৃতি

## চৰকাৰৰ ভূমি নীতিয়ে ৰাজ্যলৈ মাতিব বিপদ!

ই-সংবাদ, ২৬ ফেব্ৰুৱাৰীঃ এডভাণ্টেজ আছামৰ নামত অসমৰ হাজাৰ বিঘা মাটি পুজিপতিক ২ পৃষ্ঠাত চাওক





দিল্লীৰ কংগ্ৰেছৰ নতুন কাৰ্যালয়ত ভূপেন বৰা

## অসম আজি ছেমিকনডাক্টৰৰ দেশঃ পীয়ুষ

ই-সংবাদ, ২৬ ফেব্ৰুৱাৰীঃ মন্ত্ৰী পীয়ুষ হাজৰিকাই আজি এডভাণ্টেজ ৫ পৃষ্ঠাত চাওক

## চৰম সিদ্ধান্ত, গুৱাহাটীত পুনৰ যুৱতীৰ মৃত্যু

ই-সংবাদ, ২৬ ফেব্ৰুৱাৰীঃ গুৱাহাটীত পুনৰ আন এগৰাকী যুৱতীৰ মৃতদেহ ৫ পৃষ্ঠা

### বাহিৰৰ মানুহ আহিবই! এডভাণ্টেজ আছামৰ সামৰণিত মুখ্যমন্ত্ৰী

# 'হাজাৰ কোটি টকা কোনেও এনেই খৰছ নকৰে'

### ৪,৯১,৫০০ কোটিৰ বিনিয়োগৰ প্ৰস্তাৱ লাভ



জনালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্বই

■ অসমীয়াসকল দক্ষ হ'ব লাগিব
আৱেগেৰে জাতি গঠন কৰিব নোৱাৰি

ই-সংবাদ, ২৬ ফেব্ৰুৱাৰীঃ অসম চৰকাৰৰ বহু প্ৰতীক্ষাৰ এডাভাণ্টেজ আছাম ২.০ৰ আজি সামৰণি পৰিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামৰণি ভাষণ শেষাংশ ৩ পৃষ্ঠাত





সামৰণি ভাষণ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ

## ৰাজ্যসভালৈ যাব কেজৰিৱাল!

ই-সংবাদ, ২৬ ফেব্ৰুৱাৰীঃ দিল্লী বিধানসভা নিৰ্বাচনত পুনৰ চৰকাৰ গঠন ৫ পৃষ্ঠাত চাওক

## কাৰ্বি স্বায়ত্ত শাসিত পৰিষদৰ বাজেট দাখিল

ই-সংবাদ, ডিফু, ২৬ ফেব্ৰুৱাৰীঃ কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ আজি ৪ পৃষ্ঠাত চাওক

### গাডকাৰীৰ অনলাইন প্ৰতিশ্ৰুতি

## অসমৰ বাট-পথে পাব আৰু নতুন ৰূপ! ৮০ হাজাৰ কোটি



ই-সংবাদ, ২৬ ফেব্ৰুৱাৰীঃ অসমৰ পথ আৰু ঘাইপথৰ আন্তঃগাঁথনিৰ উন্নয়ন ত্বৰান্বিত কৰাৰ বাবে বৃহৎ পদক্ষেপ ঘোষণা ৪ পৃষ্ঠাত চাওক

## অসম নিৰ্মাণ হ'ব ফিল্ম চিটি! দহ সহস্ৰাধিক অসমীয়াই পাব কৰ্মসংস্থাপন

ই-সংবাদ, ২৬ ফেব্ৰুৱাৰীঃ এডভাণ্টেজ আছাম ২.০ত বিভিন্ন ক্ষেত্ৰৰ লগতে অসমৰ ছবি উদ্যোগটোৰ কথাও চিন্তা কৰা হৈছে। ২ পৃষ্ঠাত চাওক

## অসমৰ ভুৱা এনকাউণ্টাৰৰ গোচৰৰ শুনানি, ৰায় সংৰক্ষিত ৰাখিলে সৰ্বোচ্চ ন্যায়ালয়ে



নতুন দিল্লী, ২৬ ফেব্ৰুৱাৰীঃ অসমত "ভুৱা এনকাউণ্টাৰ"ৰ অভিযোগৰ তদন্ত বিচাৰি দাখিল কৰা আবেদনৰ সন্দৰ্ভত শুনানি গ্ৰহণ কৰি মঙলবাৰে নিজৰ শেষাংশ ৫ পৃষ্ঠাত

### আজীৱন নিষেধাজ্ঞাৰ বিৰোধিতাৰে কেন্দ্ৰৰ শপতনামা

## দোষী সাব্যস্ত হোৱা ৰাজনীতিবিদেও নিৰ্বাচন খেলাৰ পক্ষত কেন্দ্ৰ

নতুন দিল্লী, ২৬ ফেব্ৰুৱাৰীঃ অপৰাধমূলক গোচৰত দোষী সাব্যস্ত হোৱা ৰাজনৈতিক নেতাসকলক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ পৰা আজীৱন নিষেধাজ্ঞা কাৰ্যকৰী ২ পৃষ্ঠাত চাওক

### যোৰহাটৰ সাংসদ গৌৰৱ গগৈৰো পূজা-অৰ্চনা

## উখল-মাখল শিৱদৌল, মহাশিৱৰাত্ৰিত ভক্তৰ ভিৰ

ই-সংবাদ, শিৱসাগৰ, ২৬ ফেব্ৰুৱাৰীঃ শিৱসাগৰত কালিৰে পৰা শিৱৰাত্ৰি উৎসৱ আৰু পূজা ব্যাপক উৎসাহ-উদ্দীপনা, ২ পৃষ্ঠাত



### সেনা প্ৰধানৰ ইংগিত

## পুনৰ অস্থিৰ হৈ পৰাৰ দিশে বাংলাদেশ!

ই-সংবাদ, ঢাকা, ২৬ ফেব্ৰুৱাৰীঃ পুনৰ এবাৰ ৰাজনৈতিক অস্থিৰতাই গা কৰি উঠিছে বাংলাদেশত। ৩ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসম নিৰ্মাণ হ'ব ফিল্ম চিটি!

অসমৰ চিনেমা হলৰ ব্যৱসায় আৰু চিত্ৰগ্ৰহণৰ বাবে উন্নত ব্যৱস্থাৰ কথা চিন্তা-চৰ্চা কৰিছে ৰাজ্য চৰকাৰে। মুম্বাই আৰু হায়দৰাবাদৰ, ৰামুজী ফিল্ম চিটিৰ দৰে অসমতো গুৱাহাটীৰ আশে-পাশে ফিল্ম চিটি নিৰ্মাণৰ চিন্তা কৰিছে ৰাজ্য চৰকাৰে। যাৰ বাবে আজি অসম চৰকাৰে পিভিআৰ গ্ৰুপৰ সৈতে এক বুজাবুজি চুক্তি কৰিছে। আজি ছবি উদ্যোগৰ বাবে ভাল খবৰ কঢ়িয়াই এডভান্টেজ আছাম ২.০ত হোৱা বিনিয়োগৰ দ্বাৰা অসমৰ ফিল্ম চিটি নিৰ্মাণৰ চিন্তা কৰিছে। অসমৰ চিনেমা উদ্যোগলৈও আশাৰ সঞ্চাৰ কঢ়িয়াই জেভিআৰ গ্ৰুপে অসমত বিনিয়োগ কৰিব ২ হাজাৰ কোটি টকা। এই টকাৰে জেভিআৰ গ্ৰুপে অসমত নিৰ্মাণ কৰিব ফিল্ম চিটী। হায়দৰাবাদ, মুম্বাইৰ দৰে ফিল্ম চিটীৰ দৰে ফিল্ম চিটী অসমত নিৰ্মাণ কৰিব বুলি জানিবলৈ দিয়ে। জেভিআৰ গ্ৰুপে নিৰ্মাণ কৰা এই ফিল্ম চিটীত ৫ ৰ পৰা ১০ হাজাৰ লোকে সংস্থাপন পাব বুলি আশা কৰা হৈছে। উল্লেখ্য যে ফিল্ম চিটি নিৰ্মাণৰ বাতৰিৰ পিছতেই আনন্দত আত্মহাৰা হৈ পৰিছে চিনেমাপ্ৰেমী।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উখল-মাখল শিৱদৌল, মহাশিৱৰাত্ৰিত

ধৰ্মীয় ৰীতি-নীতিৰে উদযাপিত হৈছে। মহাদেৱৰ পূজা-অৰ্চনাৰ এই পবিত্ৰ উৎসৱ উপলক্ষে হাজাৰ হাজাৰ ভক্তই যোৱা নিশা প্ৰায় দুই বজাৰে পৰা ইতিহাসপ্ৰসিদ্ধ শিৱদৌলত পানী ঢালিবলৈ দীঘলীয়া শাৰী পতা দেখা যায়। আজি পুৱা যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়েও শিৱ দৌলত পূজা-অৰ্চনা আগবঢ়ায়। আনহাতে আজি মেলা উপভোগ কৰিবলৈ অহা সহস্ৰাধিক ৰাইজৰ নিৰাপত্তাৰ্থে প্ৰশাসনে নিৰাপত্তাৰ সকলো ব্যৱস্থা কটকটীয়া কৰি তুলিছে। স্বেচ্ছাসেৱকসকলেও নিজৰ দায়িত্ব পালন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছে। শিৱৰাত্ৰি উপলক্ষে ভালেমান ধৰ্মীয় আৰু সাংস্কৃতিক কাৰ্যসূচীও দূৰ-দূৰণিৰ পৰা অহা ৰাইজে উপভোগ কৰিছে। এই মেলাত স্থানীয় তথা বহিঃৰাজ্যৰ পৰা অহা পাঁচ শতাধিকৰো অধিক ব্যৱসায়িক প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰাৰ কথা জানিবলৈ পোৱা গৈছে। মেলাৰ অন্যান্য বিপণীৰ লগতে জ্ঞানম, জে এছ পাব্লিকেশ্বন, স্পেকট্ৰাম প্ৰকাশনৰ গ্ৰন্থ বিপণীৰ ধৰ্মীয় গ্ৰন্থ, গল্প, উপন্যাসেও ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। আজি সন্ধিয়া ৬ বজাত দ'লমুখ চাৰিআলিৰ অস্থায়ী মণ্ডপত ভক্তিমূলক সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে জিলা আয়ুক্ত আয়ুস গৰ্গে। মহাশিৱৰাত্ৰি উপলক্ষে আয়োজিত এই বিশেষ অনুষ্ঠানটোত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে শিৱসাগৰ পৌৰসভাৰ উপ-পৌৰপতি সঞ্জীৱ বৰা। অনুষ্ঠানত বহুকেইটা জাতীয় সংগঠনৰ নেতৃবৰ্গক দ'ল উন্নয়ন সমিতিৰ তৰফৰ পৰা আদৰণি জনোৱা হয়। ইয়াৰ পাছতেই জানকী মহিলা সাংস্কৃতিক গোষ্ঠীৰ দ্বাৰা 'মৎস্য অৱতাৰ, চাৰিবেদ উদ্ধাৰ' ভাওনা প্ৰদৰ্শন কৰা হয়। সমগ্ৰ অসমৰে লেখত ল'বলগীয়া এই মেলা আৰু পূজা অহা ২৮ ফেব্ৰুৱাৰীত সামৰণি পৰিব। কেউটা দিনেই শান্তিপূৰ্ণভাৱে অনুষ্ঠান উপভোগ কৰিবলৈ ৰাইজক আহ্বান জনাইছে দ'ল উন্নয়ন সমিতিৰ সভাপতি তথা জিলা আয়ুক্ত আয়ুস গাৰ্গ আৰু সম্পাদক বসন্ত গগৈয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দোষী সাব্যস্ত হোৱা ৰাজনীতিবিদেও

কৰাৰ সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা থকা উচিত সংসদৰ হাতত। বুধবাৰে উচ্চতম ন্যায়ালয়ত দাখিল কৰা শপতনামাত এই মন্তব্য কৰিছে মোদী চৰকাৰে। কেন্দ্ৰীয় চৰকাৰে আদালতত কয় যে বৰ্তমান প্ৰযোজ্য ছবছৰীয়া নিষেধাজ্ঞা যথেষ্ট কঠোৰ আৰু আজীৱন নিষেধাজ্ঞা আৰোপ কৰাৰ সিদ্ধান্ত আদালতে নহয়, সংসদেহে ল'ব। উল্লেখ্য যে, অপৰাধমূলক গোচৰত দোষী সাংসদ আৰু বিধায়কসকলক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাত আজীৱন নিষেধাজ্ঞা আৰোপ কৰাৰ দাবী জনাই উচ্চতম ন্যায়ালয়ত আবেদন জনাইছিল অধিবক্তা অশ্বিনী উপাধ্যায়ে। আবেদনত তেওঁ এনে দোষী সাব্যস্ত ৰাজনীতিকৰ বিচাৰ শীঘ্ৰে সমাপ্ত কৰিবলৈও দাবী জনায়। এই আবেদনৰ শুনানিৰ সময়ত কেন্দ্ৰই আদালতত কয়, "ৰাজনৈতিক নেতাক নিষিদ্ধ কৰাৰ সিদ্ধান্ত লোৱাৰ একমাত্ৰ ক্ষমতা সংসদৰ হাতত থাকিব লাগে। এই বিষয়ত আদালতে হস্তক্ষেপ কৰা উচিত নহয়।" ইফালে অশ্বিনী উপাধ্যায়ে ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ৮ আৰু ৯ নং ধাৰাক প্ৰত্যাহ্বান জনাই গোচৰ তৰে। ধাৰা ৮(ক)ত উল্লেখ আছে যে যদি কোনো ৰাজনৈতিক নেতাক কোনো অপৰাধমূলক গোচৰত কাৰাগাৰত বন্দী কৰা হয় তেন্তে তেওঁ ছবছৰ ধৰি সংসদীয় ৰাজনীতিত অংশগ্ৰহণ কৰিব নোৱাৰিব। আনহাতে, ৯ নং দফাৰ অধীনত ৰাষ্ট্ৰৰ বিৰুদ্ধে দুৰ্নীতি বা দেশদ্ৰোহৰ অভিযোগ প্ৰমাণিত হ'লে তেওঁ পাঁচ বছৰৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ অধিকাৰ হেৰুৱাব। উপাধ্যায়ে যুক্তি দিয়ে যে দুয়োটা ক্ষেত্ৰতে আজীৱন নিষেধাজ্ঞা থাকিব লাগে, কিন্তু কেন্দ্ৰীয় চৰকাৰে বিষয়টো সন্দৰ্ভত অধিক স্পষ্ট কৰি দি উচ্চতম ন্যায়ালয়ক কয় যে এই দাবী বাস্তৱিক নহয় আৰু এই বিষয়ত সংসদেহে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চৰকাৰৰ ভূমি নীতিয়ে ৰাজ্যলৈ

গতাই দিবলৈ ৰাজ্য চৰকাৰে চলোৱা অভিসন্ধিৰ বিৰুদ্ধে ৰাজ্যজুৰি মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অসমত বিনিয়োগ কৰাৰ বিনিময়ত একাংশ পুঁজিপতিক সকলো চৰকাৰী সা-সুবিধাৰে ৰঙা দলিচা পাৰি দিয়া বিষয়টোৱে ৰাজ্যৰ বিদ্বৎ সমাজক হতচকিত কৰি তুলিছে। জনগোষ্ঠীয় আৰু থলুৱা ৰাইজক ভূমিৰ অধিকাৰ নিদিয়া এইখন চৰকাৰে পুঁজিপতিৰ প্ৰতি দেখুওৱা দৰদক লৈ শেহতীয়াকৈ চিন্তিত হৈ পৰিছে ড০ হীৰেন গোহাঁইকে ধৰি একাংশ বুদ্ধিজীৱী। 'কা বিৰোধী সমন্বয় সমিতি'ৰ তৰফৰ পৰা আজি এক বিবৃতিত ড০ গোহাঁই আৰু দেৱেন তামুলীয়ে কয় যে অসমৰ ভূমিপুত্ৰসকল বাৰে বাৰে উচ্ছেদ হোৱা আৰু মাটিৰ ওপৰত অধিকাৰ হেৰুওৱা কাৰ্যত গভীৰ উদ্বেগৰ সৃষ্টি হৈছে। বিবৃতিটোত কয় যে জনজাতিসকলৰ দুখীয়া চামে তাহানিৰ পৰা মাটিৰ স্বত্বৰ আওভাও নাপায়। ফলত পুঁজিপতিৰ সপক্ষে থকা চৰকাৰৰ উচ্ছেদৰ বলি হয়। জনজাতি ব্লক বুলি যি কণ সুৰক্ষা লৈ তেওঁলোক টিকি আছে সেইবোৰো নগৰ প্ৰসাৰণ, উদ্যোগীকৰণ আদিৰ নামত সুৰক্ষামুক্ত কৰাৰ চৰকাৰৰ মতলবী প্ৰচেষ্টা দেখা গৈছে। জাগীৰোডলৈ মহানগৰ সম্প্ৰসাৰণৰ বিৰুদ্ধে আৰু ডিমা হাচাওৰ ১০০০ বিঘা মাটি আদানীক দিয়াৰ বিৰুদ্ধেও ইতিমধ্যে প্ৰতিবাদ গঢ়ি উঠিছে। তদুপৰি শ শ বছৰ মাটিত বহি থকাৰ পাছতো ৰঙা ফিটাৰ মেৰপাকত পৰি তেওঁলোকৰ নামত মাটিৰ স্থায়ী বন্দোবস্তি নহয় আৰু বহিৰাগত ব্যৱসায়ী তথা বনিকৰ উৎপীড়নৰ বলি হয়। নগাঁও জিলাৰ মিকিৰ বামুণী গাঁও আদি অনেক উদাহৰণ আমাৰ মাজত আছে। পলাশবাৰীৰ ৰাভা সম্প্ৰদায়ৰ লোকৰ হাতত থকা প্ৰায় ৫০০০ বিঘা মাটিত দশক দশক দখল থকাৰ পাছতো মাটিৰ অধিকাৰ দিয়া হোৱা নাই। জনজাতি সংৰক্ষিত সমষ্টি মাজুলীত কেৱল ৰিণিকী ভুঞাক মাটি ক্ৰয়ৰ সুবিধা দিয়াৰ বাবে আইন সংশোধন কৰা হৈছিল। কা বিৰোধী সমন্বয় সমিতিয়ে কয় যে মাটিৰ অধিকাৰ যদি নাথাকে এটা জাতিৰ একোৱেই নাথাকে আৰু সেয়ে মাটিৰ অধিকাৰৰ বিষয়টো নিস্পত্তি কৰাটো অসমত আটাইতকৈ জৰুৰী ৰাজনৈতিক কৰ্তব্য হৈ পৰিছে।বসুন্ধৰাই অসমৰ থলুৱা তথা স্থায়ী বাসিন্দাসকলক মাটিৰ অধিকাৰ দিয়াৰ পৰিৱৰ্তে বঞ্চিত কৰাৰ লক্ষণ স্পষ্ট হৈ পৰিছে। অসমৰ থলুৱা তথা স্থায়ী বাসিন্দাসকলক মাটিৰ অধিকাৰ দিয়াৰ ক্ষেত্ৰত হিমন্ত চৰকাৰে বসুন্ধৰাৰ নামত জটিল চৰ্তহে আৰোপ কৰিছে।আনহাতে ৰামদেৱ-আদানী-ৰিণিকীক চৰ্তহীন আৰু সৰল প্ৰক্ৰিয়াত মাটি প্ৰদান কৰিছে। মাটিৰ অধিকাৰ নথকা উদ্যোগীকৰণ, ক্ষমতা নোহোৱা ৰাজমুকুটৰ দৰে বুলি মন্তব্য কৰি সমিতিয়ে কোনো অজুহাতত কৃষক ৰাইজক উচ্ছেদ কৰা বন্ধ কৰিবলৈ আৰু মাটিৰ অধিকাৰ প্ৰদান কৰিবলৈ দাবী জনাইছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পুনৰ অস্থিৰ হৈ পৰাৰ দিশে বাংলাদেশ!

অন্তৰ্বৰ্তীকালীন চৰকাৰৰ উপদেষ্টা নাহিদ ইছলামৰ পদত্যাগৰ পিছতে ৰাজনৈতিক নেতাসকলক প্ৰত্যক্ষভাৱে সকীয়নী প্ৰদান কৰিছে বাংলাদেশৰ সেনা প্ৰধানে।দেশখনৰ সেনা প্ৰধান ৱাকাৰ-উজ্জামানে সকীয়াই দিছে যে যদি নেতাসকলে নিজৰ মাজত থকা মতানৈক্য সমাধান নকৰে তেন্তে দেশৰ সাৰ্বভৌমত্বৰ প্ৰতি ভাবুকি আহিব পাৰে। তেওঁ কয় যে যদিহে পাৰস্পৰিক অভিযোগ-প্ৰত্যাভিযোগ বন্ধ নহয় তেন্তে দেশৰ স্বাধীনতা আৰু সাৰ্বভৌমত্ব বিপদত পৰিব। মঙলবাৰে পীলখানা হত্যাকাণ্ডৰ বৰ্ষপূৰ্তি উপলক্ষে আয়োজিত এক অনুষ্ঠানত সেনাধ্যক্ষগৰাকীয়ে কয়, "মই আপোনালোকক সকীয়াই দিছো। পিছত নকব যে মই আগতীয়াকৈ কোৱা নাছিলো। যদি আপোনালোকে আপোনালোকৰ মতানৈক্য পাহৰি একেলগে কাম কৰিব নোৱাৰে, যদি কেৱল ইজনে সিজনক অভিযোগ কৰি থাকে, তেন্তে দেশখন মহা বিপদৰ দিশে আগবাঢ়িব।" সেনা প্ৰধানগৰাকীয়ে লগতে কয় যে দেশত নতুন চৰকাৰ গঠন নোহোৱা পৰ্যন্ত আইন-শৃংখলা বজাই ৰখাৰ দায়িত্ব সেনাবাহিনীৰ। তেওঁ কয়, "আইন-শৃংখলাৰ পৰিস্থিতিৰ অৱনতি ঘটিছে! কাৰণ আমি নিজৰ মাজতে যুঁজ-বাগৰত ব্যস্ত হৈ আছো। যদি এই পৰিস্থিতি অব্যাহত থাকে তেন্তে দেশৰ সাৰ্বভৌমত্ব বিপদত পৰিব। মই পুনৰ সকীয়াই দিছো।" তেওঁ অভিযোগ কৰে যে ৰাজনৈতিক নেতাসকল ইজনে সিজনৰ বিৰুদ্ধে যুঁজত ব্যস্ত, আৰু ষড়যন্ত্ৰকাৰীয়ে ইয়াৰ সুযোগ লৈছে। ফলত পৰিস্থিতি অধিক অশান্ত হৈ পৰিছে। সেনা প্ৰধানগৰাকীয়ে স্পষ্টকৈ কয় যে তেওঁৰ কোনো ৰাজনৈতিক উচ্চাকাংক্ষা নাই, বৰঞ্চ তেওঁ কেৱল দেশৰ শান্তি আৰু স্থিতিশীলতা বজাই ৰাখিব বিচাৰে। ৱাকাৰ-উজ্জামানে কয় যে যেতিয়ালৈকে দেশত গণতান্ত্ৰিকভাৱে নিৰ্বাচিত চৰকাৰ শাসনলৈ নাহে তেতিয়ালৈকে সেনাবাহিনীয়ে নিৰাপত্তাৰ দায়িত্ব ল'ব। ৰাজনৈতিক স্থিতিশীলতা ঘূৰাই নোপোৱালৈকে বৰ্তমানৰ আইন-শৃংখলাৰ পৰিস্থিতি সামৰিক বাহিনীৰ হাতত থাকিব বুলি তেখেতে লগতে স্পষ্টভাৱে সংবাদ মাধ্যমৰ সন্মুখত উল্লেখ কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'হাজাৰ কোটি টকা কোনেও এনেই

প্ৰদান কৰি এডাভান্টেজ আছাম ২.০ ৰ সামৰণি মাৰে। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, দেশ-বিদেশৰ চৰকাৰী প্ৰতিনিধি-বিনিয়োগকাৰী, দেশৰ উদ্যোগী, কেবাজনো কেন্দ্ৰীয় মন্ত্ৰীৰ উপস্থিতিত অনুষ্ঠিত এডাভান্টেজ আছামৰ সফল সামৰণি ঘটে। বিগত দুটা দিনত অসম চৰকাৰে বহু চুক্তি স্বাক্ষৰ কৰে। আজি সামৰণী ভাষণত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সন্মিলন সফল কৰোৱাত সকলোকে ধন্যবাদ জনায়। ৪০ লাখ আত্মসহায়ক গোটক ধন্যবাদ জ্ঞাপন কৰি আত্মসহায়ক গোটে আমূলৰ কাহিনীক পিছ পেলাব বুলি দাবী কৰে। গুৱাহাটী, ডিব্ৰুগড়ক দেশৰ কনচাৰ্ট কেপিটেল কৰাৰ লক্ষ্য, কেন্সাৰৰ প্ৰটন বীম থেৰাপী অসমত আৰম্ভ হোৱাৰ ঘোষণা কৰে। অসমত প্ৰথমটো বায়' ৰিফাইনেৰীৰ স্থাপনৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমে উন্নয়নৰ এক নতুন যুগত প্ৰৱেশ কৰিব। পঢ়ি থকা সময়ত অসমত এনে বিনিয়োগৰ সপোন দেখা নাছিলো। নিৰ্ধাৰিত লক্ষ্যতকৈ অধিক বিনিয়োগ হৈছে। মুখ্যমন্ত্ৰীয়ে ৪.৯১ লাখ কোটি টকাৰ বিনিয়োগ চুক্তি স্বাক্ষৰৰ ঘোষণা হোৱা বুলি ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে আৱেগিক ভাষণত কেইবাটাও বিষয় উল্লেখ কৰে। মুখ্যমন্ত্ৰীৰ অতীতৰ প্ৰসংগ উল্লেখ কৰি কয় যে অতীতৰ পৰাই অসমৰ অপাৰ সম্ভাৱনা আছে। অসমে বহু সহ্য কৰিবলগীয়া হ'ল। ২০১৪ ৰ পাছত মোদীয়ে অসমক চম্ভালা আৰম্ভ কৰিলে। অসম এতিয়া নতুন যাত্ৰাৰ বাবে সাজু। সকলো বিনিয়োগক বাস্তৱত পৰিণত কৰিম বুলি আশ্বস্ত কৰি মুখ্যমন্ত্ৰীয়ে আৰু কয় যে আমি অসমক দেশৰ এক মহাশক্তিলৈ প্ৰৱৰ্তন কৰিম। এইখন অসমক দেশৰ অগ্ৰণী মহাশক্তি কৰাৰ মহাসংকল্প। প্ৰধানমন্ত্ৰীৰ আদৰ্শৰে এ ফৰ আছম কৰাৰ পণ আছে। আনহাতে দুপৰীয়া এক সত্ৰত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কৈছিল যে বাহিৰৰ মানুহে চাকৰি ল'বই যদি আমি ল'বৰ বাবে যোগ্য হ'ব নোৱাৰো। আমি যদি সুযোদ নিদিওঁ বাহিৰৰ কোনেও ল'ব নোৱাৰে। আমি নিজকে দক্ষ কৰিলে, বাহিৰৰ মানুহক মাতি আনিব নালাগে। দক্ষ হ'লে আমাকহে বাহিৰৰ মানুহে মাতি নিব। হাজাৰ কোটি টকা কোনেও এনেই খৰচ নকৰে। অসমত দক্ষ মানুহ নাপালে বাহিৰৰ পৰা মানুহ আহিবই। আৱেগত জাতি এটা নিৰ্মাণ কৰিব নোৱাৰে। আজি স্বাস্থ্য, শিক্ষা, শক্তি আৰু উৎপাদন খণ্ডৰ চুক্তি স্বাক্ষৰ কৰি উৎফুল্লিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বাহিৰৰ মানুহক অসমত কাম কৰিবলৈ মাতি অনাৰ বিষয়টোক লৈ এনেদৰে মন্তব্য প্ৰদান কৰে। মুখ্যমন্ত্ৰী মহন্ত বিশ্ব শৰ্মাই লগতে কয় যে নিৰন্তৰ সমৰ্থনৰ বাবে উদ্যোগপতিসকলৰ প্ৰতি কৃতজ্ঞ। আদানি গ্ৰুপে বিমানবন্দৰ, মহানগৰ গেছ বিতৰণ, চিমেণ্ট আৰু আন্তঃগাঁথনিকে ধৰি বিভিন্ন খণ্ডত ৫০ হাজাৰ কোটি টকা বিনিয়োগৰ প্ৰতিশ্ৰুতি দিছে। গুৱাহাটীত দুদিনীয়া ব্যৱসায়িক মঞ্চই ভাৰতৰ উত্তৰ-পূব অঞ্চলত এক উদীয়মান বিনিয়োগ কেন্দ্ৰ হিচাপে অসমৰ স্থিতি শক্তিশালী কৰিছে। দ্বিতীয় দিনটোত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই আৰু কয় যে হাজাৰ কোটি টকা কোনেও এনেই খৰচ নকৰে। অসমক বিনিয়োগ কৰা কোম্পানীক মানৱ সম্পদ লাগিব। যদিহে অসমত মানৱ সম্পদ নাপাই বাহিৰৰ পৰা আহিব। আৱেগেৰে জাতি এটা নিৰ্মাণ কৰিব নোৱাৰে। আমি অসমৰ ইতিহাসত এটা নতুন যাত্ৰা, এই যাত্ৰা হ'ব বাস্তৱিক, ভৱিষ্যত নিৰ্ণয়কাৰী। দ্বিতীয় দিনটোত কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী, পীয়ুষ গোৱেল, সৰ্বানন্দ সোণোৱাল, হৰদ্বীপ সিং পুৰীয়ে অংশ লয়। আজি এডভান্টেজ আছাম ২.০ বিনিয়োগ সন্মিলনৰ দ্বিতীয় দিনা পাঁচটা গুৰুত্বপূৰ্ণ বুজাবুজি চুক্তি স্বাক্ষৰ কৰিছে ৰাজ্য চৰকাৰে। আজিৰ বুজাবুজি চুক্তিসমূহ স্বাস্থ্য, শিক্ষা, শক্তি আৰু উৎপাদন খণ্ডক লৈ কৰা হৈছে। আজি মূলত হোৱা চুক্তিসমূহ এনেধৰণৰ-- ষ্টাৰ চিমেণ্ট লিমিটেডৰ সৈতে চুক্তি স্বাক্ষৰ কৰে অসম চৰকাৰে। ৩২০০ কোটি টকা বিনিয়োগ কৰিব ষ্টাৰ চিমেণ্ট লিমিটেডে। মেথেচন হাইড্ৰজেন প্ৰাইভেট লিমিটেডে অসমত বিনিয়োগ কৰিব ১৫০০ কোটি টকা। গ্ৰব্লেল হেল্থ লিমিটেড অসমত বিনিয়োগ কৰিব ৫০০ কোটি টকা। আল্ট্ৰা টেক চিমেণ্টে অসমত বিনিয়োগ কৰিব ৭০০ কোটি টকা। বৰুণ বেভেৰেজ লিমিটেডে বিনিয়োগ কৰিব ৫১০ কোটি টকা। তামাৰা লেইচৰ এক্সপেৰিয়েন্স প্ৰাইভেট লিমিটেডে বিনিয়োগ কৰিব ২৭৫ কোটি টকা। কপাৰ প্লাছ হল্ডিঙে বিনিয়োগ কৰিব ১০০০ কোটি টকা। আশা ইন্টাৰনেচনেল মাইনিং লিমিটেডে বিনিয়োগ কৰিব ১০০০ কোটি টকা। বিৰিঞ্চি লিমিটেডে বিনিয়োগ কৰিব ৩০০০ কোটি টকা। বিৰিঞ্চি হেল্থকেয়াৰ প্ৰাইভেট লিমিটেডে বিনিয়োগ কৰিব ২০০ কোটি টকা। বেইলী ষ্ট্ৰং চিমেণ্টে বিনিয়োগ কৰিব ৪৮০ কোটি। কোঠাৰী ইণ্ডাষ্ট্ৰিয়েল কৰ্প'ৰেচন লিমিটেডে বিনিয়োগ কৰিব ৫০০ কোটি টকা। আজি অসম চৰকাৰে উদ্যোগী মহিলা তথা বিজেপি নেত্ৰী মাধৱী লতাৰ সৈতে এক বুজাবুজি চুক্তি স্বাক্ষৰ কৰিছে। মাধৱীলতাৰ বিৰিঞ্চি লিমিটেড নামৰ কোম্পানীটোৱে অসমত স্থাপন কৰিব এখন উচ্চ মানৰ চিকিৎসালয়। চিকিৎসালয়খনত অসমৰ ৰোগীসকলে লাভ কৰিব বিনামূলীয়া চিকিৎসা। খানাপাৰাত বিভিন্ন ক্ষেত্ৰত বুজাবুজি চুক্তিৰ দৰেই জিলাই জিলাই বিভিন্ন বিনিয়োগকাৰীৰ সৈতে চৰকাৰে কৰিছে বুজাবুজি চুক্তি। বৰপেটাত ৭৫ গৰাকী বিনিয়োগকাৰীয়ে ২০ কোটি, গোৱালপাৰাত ৬০.৩৩ কোটি টকাৰ ২২ গৰাকীয়ে বুজাবুজি চুক্তি স্বাক্ষৰ কৰে। বিশ্বনাথত ৪৫ বিনিয়োগকাৰীয়ে ৫০খন চুক্তিত স্বাক্ষৰ কৰে। আজি নীতিন গাডকাৰীয়ে সন্মিলনত অংশগ্ৰহণ কৰাৰ পিছতে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিক লৈ মুখ্যমন্ত্ৰীয়ে কয় যে অসমত প্ৰথমটো এক্সপ্ৰেছৱে নিৰ্মাণ হ'ব। এই হাইৱেটোৱে যাতায়াত সুচল কৰাৰ লগতে ব্ৰহ্মপুত্ৰ আৰু বৰাকক সংযোগ কৰিব এক্সপ্ৰেছৱেয়ে। গুৱাহাটী-বৰাপানীত সুৰংগ পথ নিৰ্মাণ কৰা হ'ব। গুৱাহাটীৰ পৰা বৰাক ৫ ঘণ্টাত পাব। গুৱাহাটী-ডিব্ৰুগড় এক্সপ্ৰেছৱেৰ পৰিকল্পনা কৰি গুৱাহাটী-ডিব্ৰুগড়ৰ মাজৰ যাত্ৰা ৫ ঘণ্টাৰ ভিতৰত হ'ব। দূৰত্ব হ্ৰাস হ'লে উদ্যোগক মাটি দিয়াত অসুবিধা নহয়। ডিব্ৰুগড়, তিনিচুকীয়া সকলোতে উদ্যোগ স্থাপন হ'ব। সমগ্ৰ অসমে গুৱাহাটীক সংযোগ কৰিব ৫ ঘণ্টাত। জাগীৰোড-ভৈৰবকুণ্ড সংযোগী কৰা হ'ব। ৩২০০ কোটি ব্যয়ৰে গহপুৰ-নুমলীগড়ৰ নদী সুৰংগই অসমৰ বাবে বৃহৎ পৰিৱৰ্তন আনিব। আনহাতে কাজিৰঙাত এলিভেটেড কৰিড'ৰ নিৰ্মাণ আৰু কুৰুৱা-নাৰেংগী দলঙৰ কাম কৰা হ'ব। জলপথৰ বাবে ২.৬ মিটাৰ গভীৰলৈ খন্দা হ'ব ব্ৰহ্মপুত্ৰ নদী। কালি অৰ্থাৎ প্ৰথম দিনটোত অসমত ৯০ হাজাৰ কোটি টকাৰ বিনিয়োগৰ আশা কৰিছে চৰকাৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমৰ বাট-পথে পাব আৰু নতুন

কেন্দ্ৰীয় চৰকাৰৰ। 'এডভান্টেজ আছাম ২.০'ৰ দ্বিতীয় দিনটোত কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে বুধবাৰে ঘোষণা কৰে যে ৰাজ্যত ৮০ হাজাৰ কোটি টকাৰ পথ প্ৰকল্পৰ কাম অতি শীঘ্ৰে আৰম্ভ হ'ব। গুৱাহাটীত অনুষ্ঠিত 'এডভান্টেজ আছাম ২.০' ব্যৱসায়িক সন্মিলনত ভাৰ্চুৱেল ভাষণ দি তেওঁ কয় যে আগন্তুক সাত বছৰত ৰাজ্যত কেইবাটাও গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্প ৰূপায়ণ কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে ২০২৯ চনৰ ভিতৰত অসমৰ বিভিন্ন পথ, ৰে'ল আৰু নদী সংযোগ প্ৰকল্প সম্পূৰ্ণ হ'ব, যাৰ মুঠ খৰচ ৩ লাখ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে। ইয়াৰ ভিতৰত আছে গুৱাহাটী ৰিং ৰোড, ব্ৰহ্মপুত্ৰ নদীৰ তলত সুৰংগ, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ওপৰেৰে উচ্চ কৰিডৰৰ পৰিকল্পনা। এই প্ৰকল্পসমূহে ৰাজ্যখনৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব আৰু পৰিবহণ ব্যৱস্থা আৰু অধিক শক্তিশালী কৰিব বুলিও মন্তব্য কৰে গাডকাৰীয়ে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যত ইতিমধ্যে ৬০ হাজাৰ কোটি টকাৰ প্ৰকল্পৰ কাম চলি আছে আৰু বিভিন্ন পৰ্যায়ত আছে। আনহাতে, কেন্দ্ৰীয় পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে 'এডভান্টেজ আছাম ২.০' শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰি শক্তি খণ্ডত ৰাজ্যৰ ভূমিকাক আলোকপাত কৰে। সন্মিলনৰ দ্বিতীয় দিনা ভাষণ দি তেওঁ কয়, "ভাৰতৰ শক্তি খণ্ডত অসমৰ গুৰুত্ব বাঢ়িছে।" পুৰীয়ে কয় যে বৰ্তমান অসমত দেশৰ মুঠ খাৰুৱা তেলৰ ১৫% আৰু প্ৰাকৃতিক গেছৰ ১৪% উৎপাদন হয়। এয়া অতি ইতিবাচক লক্ষণ আৰু ভৱিষ্যতে এই খণ্ডত আৰু অধিক বৃদ্ধি হ'ব বুলি তেওঁ আশা ব্যক্ত কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে কয়, "এনেধৰণৰ অনুষ্ঠানে নৱ প্ৰজন্মৰ অংশগ্ৰহণ বৃদ্ধি কৰে আৰু কৰ্মসংস্থাপনৰ নতুন দুৱাৰ মুকলি কৰে।" ইফালে, স্বচ্ছ শক্তিৰ ভৱিষ্যত সন্দৰ্ভত মন্তব্য কৰি পুৰীয়ে সেউজ হাইড্ৰজেনৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ কয়, "যদি সেউজ হাইড্ৰ'জেনৰ উৎপাদন ব্যয় ৪.৪৫ ডলাৰৰ পৰা ২.৫০ ডলাৰলৈ হ্ৰাস কৰিব পৰা যায়, তেন্তে ই ভাৰতৰ শক্তি খণ্ডত এক বিপ্লৱ কঢ়িয়াই আনিব।" ইয়াৰ দ্বাৰা গতানুগতিক শক্তিৰ উৎসৰ পৰিৱৰ্তে হাইড্ৰ'জেন ব্যৱহাৰৰ পথ প্ৰশস্ত হ'ব আৰু উত্তৰ-পূবৰ লগতে দেশত হাইড্ৰ'জেন চালিত বাছ প্ৰচলন সম্ভৱ হ'ব বুলিও তেওঁ কয়। হৰদীপ সিং পুৰীয়ে কয় যে এই বাছসমূহৰ পৰা একমাত্ৰ নিৰ্গমন হ'ব জলীয় বাষ্প, যিয়ে পৰিৱেশ অনুকূল পৰিবহণৰ ক্ষেত্ৰত এক বৃহৎ পৰিৱৰ্তন আনিব। কেন্দ্ৰীয় মন্ত্ৰী পুৰীয়ে পুনৰ কয় যে ভাৰতৰ অন্বেষণ আৰু উৎপাদন (ইএণ্ডপি) খণ্ডই বৰ্তমান যথেষ্ট অগ্ৰগতি লাভ কৰিছে আৰু শেহতীয়াকৈ তেওঁৰ বৈঠকত ব্ৰিটিছ পেট্ৰলিয়ামৰ দৰে আন্তঃৰাষ্ট্ৰীয় কোম্পানীয়ে ভাৰতৰ শক্তি খণ্ডত বিনিয়োগৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এই পদক্ষেপক প্ৰশংসা কৰি তেওঁ কয়, "ৰাজ্যৰ শক্তিৰ সম্ভাৱনাক অধিক উন্নত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে সকলো ধৰণৰ সহায় আগবঢ়াব।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমৰ ভুৱা এনকাউণ্টাৰৰ গোচৰৰ

ৰায় সংৰক্ষিত ৰাখে উচ্চতম ন্যায়ালয়ে। উল্লেখ্য যে, অসমত ২০২১ চনৰ মে' মাহৰ পৰা ৮০টাতকৈও অধিক ভুৱা এনকাউন্টাৰ সংঘটিত হোৱা বুলি অভিযোগ কৰি উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল আৰিফ জোৱাদ্দাৰে। বিশেষকৈ হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰীৰ আসনত বহাৰ পিছৰে পৰাই অসম আৰক্ষীয়ে এনকাউণ্টাৰৰ নাম দি কেইবাগৰাকীও নীৰিহক হত্যা কৰাৰ অভিযোগ কৰিছিল আবেদনকাৰীয়ে। জোৱাদ্দাৰে দাখিল কৰা আবেদনত অভিযোগ কৰে যে যোৱা তিনি বছৰত এনেধৰণৰ এনকাউন্টাৰৰ ঘটনাত ২৮ জন লোক নিহত হোৱাৰ লগতে ৪৮ জন আহত হৈছে। অন্যহাতে এই বিষয়টোৰ তদন্ত বিচাৰি পূৰ্বে গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰা হৈছিল যদিও আদালতে সেই আবেদন খাৰিজ কৰাত উচ্চতম ন্যায়ালয়ৰ কাষ চাপে আৰিফ জোৱাদ্দাৰ। মঙলবাৰে উচ্চতম ন্যায়ালয়ত শুনানিৰ সময়ত আবেদনকাৰীৰ হৈ হাজিৰ হোৱা অধিবক্তা প্ৰশান্ত ভূষনে কয় যে ২০১৪ চনত উচ্চতম ন্যায়ালয়ে আৰক্ষীৰ এনকাউন্টাৰ সন্দৰ্ভত জাৰি কৰা ১৬ দফীয়া নিৰ্দেশনা অসমত উলংঘা কৰা হৈছে। পূৰ্বে উচ্চতম ন্যায়ালয়ে ৰায়দানত এই কথা স্পষ্ট কৰি দিছিল যে জনসাধাৰণৰ আস্থা বজাই ৰাখিবলৈ আৰক্ষীৰ এনকাউণ্টাৰত মৃত্যুৰ ক্ষেত্ৰত স্বতন্ত্ৰ তদন্তৰ প্ৰয়োজন। অধিবক্তা প্ৰশান্ত ভূষণে লগতে কয় যে অসমত সংঘটিত ঘটনাসমূহত আৰক্ষীৰ বিৰুদ্ধে কোনো এফআইআৰ দাখিল কৰা হোৱা নাই, বৰঞ্চ ভুক্তভোগীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে। কেইবাজনো আহত লোকৰ সাক্ষ্যৰ উদ্ধৃতি দি তেওঁ কয়, "এজন বিশেষ 'এনকাউন্টাৰ স্পেচিয়েলিষ্ট' আৰক্ষীয়ে তেওঁলোকৰ ভৰিত গুলী চলাইছিল। এইবোৰ বিচ্ছিন্ন কাণ্ড নহয়, কিন্তু ইয়াৰ আঁৰত এটা স্পষ্ট নীতি আছে।" কিন্তু অসম চৰকাৰক প্ৰতিনিধিত্ব কৰি ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই এই অভিযোগ অস্বীকাৰ কৰি ২০১৪ চনৰ গাইডলাইন সম্পূৰ্ণৰূপে পালন কৰা বুলি দাবী কৰে। তেওঁ কয়, "আইনৰ ক'তো কোৱা হোৱা নাই যে অপৰাধীৰ সৈতে সংঘৰ্ষত আৰক্ষীৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিব লাগিব। পিছদিনা অভিযোগ উত্থাপন হ'ব বুলি ভাবি যদি আৰক্ষী বিষয়াই গুলীচালনা কৰিবলৈ কুণ্ঠাবোধ কৰে, তেন্তে তেওঁলোকে আৰু দেশৰ নাগৰিকক সুৰক্ষা দিব নোৱাৰিব। সেয়াই হয়তো এই আবেদনৰ উদ্দেশ্য।" মন কৰিবলগীয়া যে, ইয়াৰ পূৰ্বে যোৱা অক্টোবৰ মাহত উচ্চতম ন্যায়ালয়ে এক শুনানিৰ সময়ত এই প্ৰশ্ন উত্থাপন কৰিছিল যে, অসম আৰক্ষীৰ এই এনকাউন্টাৰে এটা বিশেষ সম্প্ৰদায়ক লক্ষ্য কৰি লৈছে নেকি? ৪ ফেব্ৰুৱাৰীত শীৰ্ষ আদালতে কয় যে তেওঁলোকে এই এনকাউণ্টাৰৰ ন্যায়িক পৰ্যালোচনা নকৰে, কিন্তু ২০১৪ চনৰ নিৰ্দেশনা সঠিকভাৱে পালন কৰা হৈছে নে নাই সেয়া পৰীক্ষা কৰিব। প্ৰণিধানযোগ্য যে, ২০২১ চনত হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হোৱাৰ পিছৰে পৰা অসমত আৰক্ষীৰ এনকাউন্টাৰৰ ঘটনা যথেষ্ট বৃদ্ধি পাইছে। অভিযোগ অনুসৰি এই ঘটনাসমূহত নিহত আৰু আহতসকলৰ অধিকাংশই ৰাজ্যখনৰ জনগোষ্ঠীয় আৰু ধৰ্মীয় সংখ্যালঘু জনগোষ্ঠীৰ। অৱশ্যে প্ৰত্যেকটো এনকাউন্টাৰৰ সময়তে 'অভিযুক্তই পলাব বিচাৰিছিল' , 'অভিযুক্তই আৰক্ষীক আক্ৰমণ কৰিব বিচাৰিছিল' আদি দাবীৰে আৰক্ষীয়ে ইয়াক ন্যায্যতা প্ৰদান কৰি আহিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কাৰ্বি স্বায়ত্ত শাসিত পৰিষদৰ বাজেট

২৫০ সংখ্যক অস্থায়ী বাজেট দাখিল কৰা হয়। পৰিষদৰ ২৫০ সংখ্যক অধিৱেশনত আজি পৰিষদৰ বাবে অস্থায়ী বাজেট দাখিল কৰে বিত্ত বিভাগৰ ভাৰপ্ৰাপ্ত তথা পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড০ তুলিৰাম ৰংহাঙে। বাজেট দাখিলৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত ৰংহাঙে কয় যে, এইখন অস্থায়ীভাৱে দাখিল কৰা বাজেট । কাৰণ অসম চৰকাৰে বাজেট দাখিল কৰাৰ পাছতহে আমাৰ এই বাজেট দাখিল কৰিবলৈ সক্ষম হম। পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্যজনে জনসাধাৰণৰ সৈতে হোৱা মত বিনিময় অনুষ্ঠানত গ্ৰহণ কৰা বিভিন্ন দাবী আৰু প্ৰস্তাৱসমূহ ইয়াত সন্নিৱিষ্ট কৰা হৈছে। এইবাৰ বাজেটত পৰিষদৰ অধীনৰ চৰকাৰী গাঁওবুঢ়াসকলৰ বাজেট বৃদ্ধিৰ প্ৰস্তাৱ লোৱা হয়। দুই হাজাৰ পাঁচশ কোটিৰ ওপৰত আনুমানিক এই বাজেট ধাৰ্য কৰা বুলি ৰংহাঙে জানিবলৈ দিয়ে। উল্লেখ্য যে, পৰিষদৰ পূৰ্ণাংগ বাজেট অসম চৰকাৰে বাজেট গ্ৰহণ কৰাৰ পিছত দাখিল কৰা হ'ব বুলি ৰংহাঙে প্ৰকাশ কৰে। ৰংহাঙে সংবাদ মাধ্যমৰ আগত কয় যে, কাৰবি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিজাববীয়া বাজেট প্ৰথমবাৰৰ বাবে পৰিষদে নিজাববীয়াকৈ প্ৰস্তুত কৰিছে। পূৰ্বে জয়ন্ত ৰংপি সাংসদ হৈ থকাৰ সময়ত বহু দাবী উত্থাপন কৰা হৈছিল যদিও ই সম্ভৱ হৈ উঠা নাছিল। অসম চৰকাৰৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বাবেই ই সম্ভৱ হৈছে বুলি ৰংহাঙে উল্লেখ কৰি ইয়াৰ বাবে জিলাবাসীৰ হৈ মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। আনহাতে, কাৰবি আংলঙত অবৈধভাৱে চলি থকা ইটা ভাটাসমূহৰ বিৰুদ্ধে আজিৰ সদনত এমএচি মুকুট মহন্তই কৰা প্ৰশ্ন সন্দৰ্ভত সচিবক তদন্ত কৰি এই মাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া বুলি প্ৰকাশ কৰি অবৈধ ইটা ভাটাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি কয় ৰংহাঙে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসম আজি ছেমিকনডাক্টৰৰ দেশ

আছাম ২.০ৰ দ্বিতীয় দিনাৰ বিনিয়োগ আলোচনা সভাত অসমৰ উদ্যোগিক ৰূপান্তৰৰ কথা ঘোষণা কৰি কয় যে অসম আৰু বন্ধৰ ৰাজ্য নহয়, আইন-শৃংখলাৰ সমস্যা থকা ৰাজ্য নহয়। চান্দা সংস্কৃতিৰ অসম হৈ থকা নাই। অসম এতিয়া ছেমিকণ্ডাক্টৰৰ দেশ। ভাৰতৰ ইণ্ডাষ্ট্ৰীয়েল মেপত অসম শক্তিশালী হৈ উঠিব। পীযুষ হাজৰিকাই উল্লেখ কৰে যে জাগীৰোডত গঢ়ি উঠা ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ পৰা এই বছৰৰ শেষলৈকে চিপছ উৎপাদন আৰম্ভ হ'ব। দৈনিক ৪৮ মিলিয়ন চিপছ উৎপাদনলৈ দুবছৰ লাগিব। কিন্তু উৎপাদনৰ আৰম্ভণি সোনকালেই হ'ব। লগতে টাটা কোম্পানীয়ে অসমত ম'বাইল মেনুফেকচাৰিং উদ্যোগ স্থাপন কৰাৰ সম্ভাৱনাৰ কথাও উনুকিয়াইছে মন্ত্ৰীগৰাকীয়ে। ষ্টাৰ্টআপৰ ক্ষেত্ৰত অসমক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি দি হাজৰিকাই কয় যে অসমৰ যুৱক-যুৱতীসকল এতিয়া চাকৰিৰ পিছত নদৌৰে। বৰঞ্চ নিজা উদ্যোগ গঢ়িবলৈ আগবাঢ়িছে। চৰকাৰে ইতিমধ্যে ষ্টাৰ্টআপ, ইনোভেচন আৰু ইনক্লুজনৰ বাবে নতুন বিভাগ সৃষ্টি কৰিছে। বাজেটত এই খণ্ডলৈ ১০০ কোটি টকাৰ ফাণ্ডৰ কথাও উল্লেখ কৰে মন্ত্ৰীজনে কয় যে অসমক ষ্টাৰ্টআপৰ হাবলৈ ৰূপান্তৰিত কৰিম। উত্তৰ-পূৰ্বাঞ্চলৰ সুৰক্ষাৰ প্ৰসংগত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ডিফেন্স কৰিড'ৰৰ ধাৰণাক সমৰ্থন জনাই হাজৰিকাই কয় যে শত্ৰুৰাষ্ট্ৰৰ সান্নিধ্যৰ কাৰণে এই অঞ্চলত প্ৰতিৰক্ষা সজুলি মেৰামতিৰ সুবিধা থাকিব লাগে। নহ'লে সমস্যাৰ সময়ত দক্ষিণলৈ পঠিয়াওঁতেই বিপদৰ সন্মুখীন হ'ব পাৰো। এই কৰিড'ৰ বাস্তৱায়নত মুখ্যমন্ত্ৰীৰ দৃঢ়তাৰ প্ৰশংসা কৰে হাজৰিকাই। মন্ত্ৰীজনে পুনৰ কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লক্ষ্য হ'ল অসমক কেন্দ্ৰীয় সাহায্য নিৰ্ভৰ ৰাজ্যৰ পৰা পৰিণত কৰি কেন্দ্ৰলৈ অৰ্থসহায় আগবঢ়োৱা ৰাজ্যলৈ ৰূপান্তৰিত কৰা। অসমৰ পৰা লোৱা কৰৰ ধনেই যেন অন্যান্য ৰাজ্যক সাহায্য কৰিব পাৰে। এয়েই হ'ব আমাৰ আটাইতকৈ ডাঙৰ সফলতা। হাজৰিকাই আশা কৰে যে এডভান্টেজ আছাম ২.০ৰ জৰিয়তে ৰাজ্যত উদ্যোগ, ষ্টাৰ্টআপ আৰু সুৰক্ষাৰ ক্ষেত্ৰত বৈপ্লৱিক পৰিৱৰ্তন আহিব। যিয়ে যুৱ সমাজক চাকৰিৰ সুযোগ দিব আৰু অসমক উন্নত ৰাজ্য হিচাপে পৰিচয় দিব। অসমীয়াই চাকৰিৰ বাবে অন্য ৰাজ্যলৈ যাব নালাগে, ইয়াতেই সকলো সুযোগ সৃষ্টি হ'ব বুলি কৈ মন্ত্ৰী পীযুষ হাজৰিকাই বিদেশী বিনিয়োগকাৰীসকলক অসমলৈ আহিবলৈ আমন্ত্ৰণ জনায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চৰম সিদ্ধান্ত, গুৱাহাটীত পুনৰ যুৱতীৰ

ৰহস্যজনক অৱস্থাত উদ্ধাৰ হৈছে। আজি গুৱাহাটী মহানগৰীৰ হাতীগাঁৱত যুৱতীগৰাকীৰ মৃতদেহ এটা কোঠাত ৰহস্যজনক অৱস্থাত উদ্ধাৰ হোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। হাতীগাঁৱৰ বিষ্ণুজ্যোতি পথৰ ৰিয়াঙ্গি প্ৰাইড নামৰ অট্টালিকাটোৰ চতুৰ্থ মহলাত চাহেবা ৰহমান নামৰ যুৱতীগৰাকীৰ মৃতদেহ আজি পৰিয়ালে প্ৰত্যক্ষ কৰাত পৰিয়ালটোত হুৱা-দুৱা লাগে। নিজ বাসগৃহত চুৰ্ণিৰে চিপ লৈ থকা অৱস্থাত চাহেবাৰ নিথৰ দেহ প্ৰত্যক্ষ কৰিছিল পৰিয়ালে। লগে লগে হাতীগাঁও আৰক্ষীক খবৰ দিয়াত আৰক্ষীৰ দল উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে যদিও প্ৰাথমিক তদন্তত আত্মহত্যাৰ ঘটনা হ'ব পাৰে বুলি সন্দেহ কৰা হৈছে। মাতৃয়ে কয় যে তাই কৈছিল মই বিয়াত নবহো। আমি বিয়াত বহাৰ বাবে হেঁচা দিয়া নাছিলো। এইখন ঘৰত বিয়াৰ কথা উলিয়াব নালাগে বুলিও কৈছিল। মই মাতৃ। মোৰ দায়িত্ব আছে। মোৰ তিনিটা সন্তান। মই ডাঙৰ কন্যাক ২০১৭ চনত বিয়া দিছো। মোৰ ল'ৰাই ব্যৱসায় কৰি আছে। তাই বিয়াত নবহো বুলি কৈছিল। তাই আমাৰ আলসৰ লাডু। তাই খুব কম কথা কয়।ময়ো তাইৰ লগত বেছি কথা নকও। তাই যিটো কয় সেইটো হয়। কিন্তু তাই কি ডিপ্ৰেছনত আছিল মই নাজানিলো। তাই পুৱা মোক চাব খুৱাই দোকানলৈ যোৱাৰ বাবে বিদায় দিয়ে। তাই দুটা বজাত মোৰ বাবে দোকানত ভাত লৈ যায়। কিন্তু কালি তাই লৈ যোৱা নাছিল। তাই কাৰবোৰ বন্ধুৰ ঘৰত গৈছিল নেকি সেই কথা নাজানিলো। আমাৰ লগত কোনো কাজিয়া নাই। মই গালি নাপাৰো। মোৰ এটাই চিন্তা মোৰ ছোৱালীয়ে যাতে মোৰ পৰা কোনো কষ্ট নাপায়। জানিব পৰা মতে, চাহেবা ৰহমানৰ পৰিয়ালৰ বিষ্ণুজ্যোতি পথত এখন ফাষ্টফুডৰ দোকান আছে। কিন্তু চাহেবাই এনে সিদ্ধান্ত লোৱাৰ কাৰণ এতিয়ালৈ আৰক্ষীয়ে উদ্ধাৰ কৰিব পৰা নাই যদিও পৰিয়ালে বিয়াৰ বাবে হেঁচা দিয়াত এনে সিদ্ধান্ত লোৱাৰ আশংকা কৰা হৈছে। আঁৰৰ ৰহস্য আৰক্ষীৰ সঠিক তদন্তত ওলাই পৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যসভালৈ যাব কেজৰিৱাল!

কৰিবলৈ সক্ষম নহৈ মুখথেকেচা খোৱা আম আদমী পাৰ্টীৰ মুৰব্বী অৰবিন্দ কেজৰিৱালৰ বিৰুদ্ধে বিজেপিয়ে তীব্ৰ আক্ৰমণ কৰি আহিছে। অৰবিন্দ কেজৰিৱাল মুখ্যমন্ত্ৰী হৈ থকা সময়ছোৱাত কেগৰ প্ৰতিবেদন অনসুৰি মুখ্যমন্ত্ৰীৰ আৱাস, সুৰা নীতি আদিৰ কেলেংকাৰীক লৈ বিজেপিয়ে বিধানসভাৰ বাহিৰে-ভিতৰে আক্ৰমণৰ লক্ষ্য কৰি লোৱাৰ সময়তে পঞ্জাৱৰ পৰা ৰাজ্যসভালৈ যাবৰ বাবে সৈজু হৈছে কেজৰিৱাল। পঞ্জাৱৰ ৰাজ্যসভাৰ এজন সাংসদে বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাত খালী হ'বলগীয়া ৰাজ্যসভাৰ আসনখনত অৰবিন্দ কেজৰিৱালে প্ৰতিদ্বন্দ্বিতা কৰি দিল্লীলৈ যোৱাৰ চিন্তা কৰা বুলি খবৰ প্ৰকাশ হৈছে। ১১ জানুৱাৰীত লুধিয়ানা পশ্চিম বিধানসভা সমষ্টিৰ বৰ্তমানৰ আপৰ বিধায়ক গুৰপ্ৰীত সিং গোগীৰ মৃত্যুত সমষ্টিটোত উপ-নিৰ্বাচন অনুষ্ঠিত হৈছে। লুধিয়ানা পশ্চিম বিধানসভাৰ উপ-নিৰ্বাচনত আপে ৰাজ্যসভাৰ সাংসদ সঞ্জীৱ অৰোৰাক প্ৰাৰ্থী ঘোষণা কৰাত অৰবিন্দ কেজৰিৱালে ৰাজ্যসভালৈ যাব বুলি ব্যাপক চৰ্চা হ'ব ধৰিছে। সঞ্জীৱ অৰোৰা বিধায়ক নিৰ্বাচিত হোৱাৰ পিছতে পঞ্জাৱত ৰাজ্যসভাৰ এখন আসন খালী হ'ব। খালী আসনত আপৰ পৰা ৰাষ্ট্ৰীয় আহ্বায়ক, দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল ৰাজ্যসভাৰ সাংসদ হৈ ৰাজ্যসভালৈ যাব পাৰে ব্যাপক চৰ্চা আৰম্ভ হৈছে। ৰাজনীতিৰ খবৰ ৰখা মহলে এই খবৰ মিছা বুলি মানি ল'ব খোজা নাই। বিধানসভা নিৰ্বাচনত শোচনীয় পৰাজয়বৰণ কৰা কেজৰিৱালৰ বাবে ৰাজনীতিত অস্তিত্ব ৰক্ষাৰ হকে বৃহৎ সিদ্ধান্ত হ'ব পাৰে বুলি ক'ব খোজে। আম আদমী পাৰ্টীয়ে এই খবৰ নস্যাৎ কৰে। আপৰ মুখপাত্ৰ প্ৰিয়ংকা কক্কৰে কয় যে অৰবিন্দ কেজৰিৱাল ৰাজ্যসভালৈ নাযায়। পূৰ্বে মিডিয়াই কৈছিল যে তেওঁ পঞ্জাৱৰ মুখ্যমন্ত্ৰী হ'ব। এতিয়া সংবাদ মাধ্যমে কৈছে যে তেওঁ ৰাজ্যসভাৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হ'ব। এই দুয়োটা উৎস সম্পূৰ্ণ ভুল। অৰবিন্দ কেজৰিৱাল আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক। তেওঁৰ প্ৰয়োজনীয়তা অতি বেছি বুলি মই মানি লওঁ। কিন্তু তেওঁ কোনো এখন আসনত সীমাবদ্ধ নহয়। শেহতীয়া দিল্লী বিধানসভা নিৰ্বাচনত ১০ বছৰে দিল্লী শাসন কৰা আপৰ অৱস্থা থৰক-বৰক হৈ পৰে। খোদ আপৰ মুৰব্বী কেজৰিৱালে নতুন দিল্লী সমষ্টিত বিজেপিৰ প্ৰাৰ্থী প্ৰৱেশ বাৰ্মাৰ হাতত পৰাজিত হয়। এই পৰাজয়ৰ পিছতে পূৰ্বৰ তুলনাত একপ্ৰকাৰ নিষ্ক্ৰিয় হৈ পৰিছে কেজৰিৱাল।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# শিৱসাগৰ জিলাৰ নামতিয়াল গাঁৱত শংকৰ সংঘ ত্যাগ এটা পৰিয়ালৰ

**ই-সংবাদ, গেলেকী, ২৬ ফেব্ৰুৱাৰীঃ** ৰাজ্যত শ্ৰীমন্ত শংকৰদেৱ সংঘ আৰু আহোম বিতৰ্ক চলি থকাৰ মাজতে কালি সন্ধিয়া শংকৰ সংঘ ত্যাগ কৰিলে শিৱসাগৰ জিলাৰ নামতিৰ সমীপৰ কালুগাঁৱৰ নামতিয়াল গাঁৱৰ এটা পৰিয়ালে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শ'লগুৰি আঞ্চলিক শাখাৰ অন্তৰ্গত কালুগাঁও প্ৰাথমিক শাখাৰ নামতিয়াল গাঁৱৰ অনিল কুমাৰ নেওগৰ পৰিয়ালটোৱে আনুষ্ঠানিকভাৱে শংকৰ সংঘ ত্যাগ কৰে। কালি সন্ধিয়া শংকৰদেৱ সংঘৰ কালুগাঁও প্ৰাথমিক শাখাৰ সভাপতি দ্বীপেন দহোটীয়াৰ হাতত অনিল কুমাৰ নেওগে পৰিয়ালসহ ত্যাগ পত্ৰ অৰ্পণ কৰে। উল্লেখ্য যে পৰিয়ালটোৱে বৈষ্ণৱ পণ্ডিত প্ৰয়াত সোণাৰাম চুতীয়াৰ তত্বাৱধানত ১৯৭২ চনতে শংকৰদেৱ সংঘত যোগদান কৰি সংগী হিচাপে বৰ্তমান সময়লৈকে আছিল। কিন্তু বৰ্তমান মে-ডাম-মে-ফিকে ধৰি কিছু বিষয়ত সংঘৰ স্থিতিত অসন্তুষ্টি প্ৰকাশ কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘ ত্যাগ কৰা বুলি সংবাদ মাধ্যমৰ আগত মত প্ৰকাশ কৰে পৰিয়ালটোৱে। শংকৰদেৱ সংঘৰ পৰা অনিল কুমাৰ নেওগৰ লগতে তেওঁৰ সহধৰ্মিনী বুলিৰাণী নেওগ, পুত্ৰ নূপুৰ নেওগ, বোৱাৰী দীক্ষিতা বৰা নেওগেও পত্ৰৰ জৰিয়তে শংকৰ সংঘ ত্যাগ কৰে।

# 'দ্য হাৰ্ট'ৰ উদ্যোগত ৰুদ্ৰাক্ষৰ গছপুলি বিতৰণ

**ই-সংবাদ, গোলকগঞ্জ, ২৬ ফেব্ৰুৱাৰীঃ** অসমৰ আগশাৰীৰ বেচৰকাৰী সংস্থা 'দ্য হাৰ্ট'ৰ উদ্যোগত আজি শিৱৰাত্ৰি উপলক্ষে ধুবুৰী গোলকগঞ্জৰ বিভিন্ন মঠ মন্দিৰত ৰুদ্ৰাক্ষ গছৰ পুলি বিতৰণ কৰাৰ লগতে ৰোপণ কৰা হয়। দ্য হাৰ্টৰ মূল শ্ল'গান হ'ল- 'আমি প্ৰকৃতিৰ, প্ৰকৃতি আমাৰ'। সেয়ে দ্য হাৰ্টৰ উদ্যোগত মাজে সময়ে গছ পুলি ৰোপণ আৰু বিতৰণ কৰা হয়। সাধাৰণতে গছপুলি ৰোপণ কৰা হয় যদিও লালন -পালনৰ অভাৱত গছপুলি নষ্ট হৈ যায়। যাৰ বাবেই এইবেলি সভাপতি ডাঃ চন্দন মোদকৰ পৰামৰ্শ মতে ৰুদ্ৰাক্ষ গছৰ পুলি বিতৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। যিহেতু ৰুদ্ৰাক্ষ সনাতন ধৰ্মত পবিত্ৰ বুলি সন্মান কৰা হয়। তদুপৰি শিৱৰাত্ৰিত ৰুদ্ৰাক্ষৰ প্ৰয়োজনীয়তা আছে। ৰুদ্ৰাক্ষ গছৰ পুলিৰ লগত ধৰ্মীয় আৱেগ-অনুভূতি জড়িত হৈ আছে। গছ পুলিবোৰ ডাঙৰ হ'লে ধৰ্মৰ উপৰি প্ৰাকৃতিক পৰিৱেশ সুৰক্ষিত কৰাত সহায়ক হ'ব। ধুবুৰী সদৰ থানা, গোলকগঞ্জ থানা গাইখোৱা মন্দিৰ, গোলকগঞ্জ উমানন্দ শিৱমন্দিৰৰ উপৰি সত্ৰশাল, আগমনি, পাৰবছৰাৰ, বিভিন্ন মঠ-মন্দিৰত দ্য হাৰ্টৰ উপ-সভাপতি প্ৰদীপ সেন টেক্সীৰ নেতৃত্বত অৰ্ধ শতাধিক ৰুদ্ৰাক্ষ পুলি বিতৰণ কৰে।

# হাজাৰ হাজাৰ শিৱভক্তৰ লানি নিচিগা সোঁত

# শিৱৰাত্ৰিঃ কুলবিল শিৱালয়, বিল্বেশ্বৰ দেৱালয়, তিৰুপতি মন্দিৰত ভক্তৰ ভিৰ

**ই-সংবাদ, চামতা, ২৬ ফেব্ৰুৱাৰীঃ** আজি মহা শিৱৰাত্ৰি। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ঐতিহ্যমণ্ডিত শৈৱানুষ্ঠানসমূহৰ অন্যতম পশ্চিম নলবাৰীৰ ইতিহাস প্ৰসিদ্ধ বিল্বেশ্বৰ দেৱালয়, কুলবিলঘাট ৰাজহুৱা শিৱালয়কে ধৰি বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন ঠাইৰ শিৱ মন্দিৰসমূহ ভক্ত-দৰ্শনাৰ্থীৰে লোকাৰণ্য হৈ পৰে। আজি পুৱাৰে পৰা সন্ধিয়ালৈ কুলবিলঘাট ৰাজহুৱা শিৱালয়ত মহা শিৱৰাত্ৰি উপলক্ষে লক্ষাধিক শিৱ ভক্ত-দৰ্শনাৰ্থীৰ সমাগম হয়। শিৱালয়খনত যোৱা ২৩ ফেব্ৰুৱাৰীৰ পৰা চলি আছে ৯৪ সংখ্যক পাঁচ দিনীয়া শিৱৰাত্ৰি সভা মহোৎসৱ। আজি চতুৰ্থ দিনৰ মহা শিৱৰাত্ৰি-শিৱ চতুৰ্দ্দশী উপলক্ষে শিৱালয়খনলৈ পুৱাৰে পৰা অগনন ভক্তই হাতে হাতে ফুল, বেলপাত, এঁৰা গাখীৰ, নৈবেদ্যৰে শৰাই লৈ শাৰিপাতি মন্দিৰত প্ৰৱেশ কৰে আৰু ভিৰৰ মাজতে মহাপ্ৰভু শিৱক নিজৰ নিজৰ আৰু পৰিয়ালৰ মনোকামনাৰ্থে পূজা আগবঢ়ায়। একেদৰে ইতিহাস প্ৰসিদ্ধ বিল্বেশ্বৰ দেৱালয়ো লোকে লোকাৰণ্য হৈ পৰে। একেদৰে গন্ধিয়াৰ তিৰুপতি মন্দিৰত হাজাৰ হাজাৰ শিৱভক্তৰ লানি নিচিগা সোঁত বয়। অঞ্চলটোৰ বিহামপুৰ, বনগাঁও, গামাৰিমুৰীৰ শান্তিবন ছুপাৰ শিৱ মন্দিৰ, কৈঠালকুছি, সাহপুৰ, পিপলিবাৰী, বৰনন্দী আদি অঞ্চলতো মহাধুমধামেৰে মহাশিৱৰাত্ৰি পূজা কৰা হয়। কুলবিল শিৱালয়ত সন্ধিয়া বন্তি প্ৰজ্বলন কৰে সমাজকৰ্মী তাৰিনি বৰ্মন, কুলেশ গোস্বামী, ডাঃ অৰূপ দাস, আৰক্ষী বিষয়া ৰোহিত চেত্ৰী, ৰাজহ চক্ৰ বিষয়া মিনাক্ষী বৰ্মনে। দুপৰীয়া নাগাৰা নাম পৰিৱেশন কৰে দৰঙৰ মহিলা পাঠক জোনালী ডেকাৰ দলে। সন্ধিয়া আৰতি প্ৰদান আৰু নিশা জোন তৰা মিনি থিয়েটাৰ দলে নাট্যাভিনয় কৰে। ইয়াৰ পূৰ্বে দুপৰীয়া ১২.৩০ বজাৰ পৰা আবেলি ৫ বজালৈ কুলবিল পথাৰত অৰ্ধলক্ষাধিক ভক্তক শিৱালয় পৰিচালনা সমিতিয়ে খিচিৰি ভোগ বিতৰণ কৰে। কাইলৈ নিশা সামৰণি পৰিব পাঁচদিনীয়া শিৱৰাত্ৰি সভা মহোৎসৱৰ।

# হামৰেনত বিনিয়োগকাৰীৰ শ কোটিৰো অধিক বুজাবুজি চুক্তিত স্বাক্ষৰ




**ই-সংবাদ, বৈঠালাংছ', ২৬ ফেব্ৰুৱাৰীঃ** সমগ্ৰ ৰাজ্যৰ সমান্তৰালকৈ পশ্চিম কাৰ্বি আংলং জিলাৰ হামৰেণতো এডভান্টেজ আছাম ২.০ ৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পাহাৰীয়া জিলাখনৰ সদৰ হামৰেণস্থিত জিলা আয়ুক্তৰ কাৰ্যালয়ত ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে এডভান্টেজ আছামৰ লক্ষ্য-উদ্দেশ্যক সাৰোগত কৰি বিনিয়োগকাৰীৰ সৈতে জিলা আয়ুক্তৰ এখনিকৈ বুজাবুজি চুক্তিত স্বাক্ষৰ কৰা হয়। জিলাখনৰ অন্তৰ্গত প্ৰায় ১৩৩ টা ব্যৱসায়ী সংস্থাই আহি জিলাখনত বিনিয়োগৰ বাবে বুজাবুজি চুক্তিত স্বাক্ষৰ প্ৰদান কৰাৰ লগতে ১০০ কোটিৰো অধিক মূল্যৰ বিনিয়োগ কৰিব বুলি জানিব পৰা গৈছে। বিভিন্ন ক্ষেত্ৰৰ সমান্তৰালকৈ কৃষি আৰু পৰ্য্যটনৰ ক্ষেত্ৰটো বিশেষভাৱে গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। জিলা আয়ুক্তৰ সভাকক্ষত অনুষ্ঠিত এই বুজাবুজি চুক্তিৰ স্বাক্ষৰৰ প্ৰাক্কক্ষণত জিলা আয়ুক্ত সাৰংগপাণি শৰ্মাই প্ৰতিগৰাকী বিনিয়োগকাৰীৰ সৈতে বিভিন্ন ক্ষেত্ৰৰ উত্তৰণৰ সন্দৰ্ভত মুকলিকৈ আলোচনা কৰাৰ লগতে দিহা-পৰামৰ্শও প্ৰদান কৰে। আনহাতে, অনুষ্ঠানত স্থানীয় কেইবাটিও বিত্তীয় প্ৰতিষ্ঠানৰ মুৰব্বী উপস্থিত থকাৰ লগতে বিশেষকৈ ঋণ প্ৰদানৰ ক্ষেত্ৰত শিথিলতা গ্ৰহণ কৰিবৰ বাবে আহ্বান জনায়। তাৰোপৰি, চৰকাৰী ৰাজসাহায্য সুবিধা আৰু কম সুদৰ হাৰ পাবলগীয়া বিষয়সমূহৰ ওপৰতো বিশেষভাৱে আলোচনা কৰা হয়। উল্লেখযোগ্য যে অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত প্ৰদীপ গুপ্তা, নিৰ্বাচনী বিষয়া আৰ্ণিকা লেকথেপী, সহকাৰী আয়ুক্তা ছাম্পী দাসৰ লগতে জিলা প্ৰশাসনৰ কৰ্মচাৰী আৰু দুইশতাধিক বিনিয়োগকাৰী উপস্থিত থাকে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ

# বৰপেটা-বঙাইগাঁৱৰ লাংলা বি বি কলেজৰ কলেজ সপ্তাহৰ সফল সামৰণি




**ই-সংবাদ, কোকিলা, ২৬ ফেব্ৰুৱাৰীঃ** বৰপেটা-বঙাইগাঁও জিলাৰ লাংলাৰ বি বি কলেজৰ ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত হোৱা সপ্তাহ যোৰা কলেজ সপ্তাহৰ কালি সফল সামৰণি পৰে। কলেজখনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আনোৱাৰুল ইছলাম খানৰ সভাপতিত্বত বঁটা বিতৰণী আৰু মুকলি সভা অনুষ্ঠিত হয়। উক্ত সভাতেই কলেজৰ ২০২৩-২০২৪ বৰ্ষৰ বাৰ্ষিক আলোচনী "অনুৰণন" উন্মোচন কৰে বৰপেটা লোকসভাৰ প্ৰাক্তন সাংসদ আব্দুল খালেকে। সভাত বিশিষ্ট অতিথি হিচাপে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক মুকুল পাটগিৰি, বৰপেটা কলেজৰ অধ্যক্ষ ড০ বিৰিঞ্চি কুমাৰ দাস, প্ৰাক্তন বিধায়ক আব্দুল হাই নাগেৰী, এ পি চি চিৰ সম্পাদক নুৰুল ইছলাম আদি উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি সাৰুৱা ভাষণ আগবঢ়ায়। উক্ত সভাতেই কলেজ সপ্তাহৰ বিভিন্ন বিভাগত বিজয়ী প্ৰতিযোগীৰ মাজত বঁটা প্ৰদান কৰা হয়। শেষত সাংস্কৃতিক অনুষ্ঠানেৰে সফল সামৰণি পৰে কলেজ সপ্তাহৰ।

# জ্যেষ্ঠ বিজেপি নেতা হৰেকৃষ্ণ ভৰালীৰ দেহাৱসান

## মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শোক প্ৰকাশ

**ই-সংবাদ, ২৬ ফেব্ৰুৱাৰীঃ** ভাৰতীয় জনতা পাৰ্টীৰ এজনো বিধায়ক নথকাৰ সময়ত অসমত দলটোৰ শ্ৰী বৃদ্ধিৰ বাবে আহোপুৰুষাৰ্থ কৰা প্ৰাক্তন ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক হৰেকৃষ্ণ ভৰালীৰ দেহাৱসান ঘটে। দীৰ্ঘদিনে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৰেকৃষ্ণ ভৰালীয়ে কালি নিশা শেষ নিশ্বাস ত্যাগ কৰে। মধুমেহ ৰোগত আক্ৰান্ত হৈ নেতাগৰাকীয়ে চিকিৎসাধীন হৈ আছিল। হৰেকৃষ্ণ ভড়ালীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি পৰিয়ালক সমবেদনা জ্ঞাপন কৰে ৰাজ্যিক সভাপতি সভাপতি দিলীপ শইকীয়াই। দলৰ বাবে বৃহৎ ক্ষতি বুলি কয় দিলীপ শইকীয়াই। আজি পুৱাই চিকিৎসালয়ৰ পৰা নশ্বৰদেহ ৰাজ্যিক বিজেপিৰ বশিষ্ঠৰ কাৰ্যালয়লৈ নিয়া হয়। কাৰ্যালয়ত দিলীপ শইকীয়াৰ লগতে কেবাগৰাকী নেতাই শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি আত্মাৰ চিৰ শান্তি কামনা কৰে। ভাৰতীয় জনতা পাৰ্টিৰ মহীৰূহস্বৰূপ, দলৰ এগৰাকী অন্যতম জ্যেষ্ঠ কাৰ্যকৰ্তা হৰেকৃষ্ণ ভৰালীৰ মৃত্যুত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰে।

# ৰাজভোমোৰা শিৱ মন্দিৰত শিৱৰাত্ৰিত অগণন ভক্তৰ সমাগম

**ই-সংবাদ, পৰ্বতঝোৰা, ২৬ ফেব্ৰুৱাৰীঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত বৰ্শীঝোৰাৰ ৰাজভোমোৰা গাঁৱত অৱস্থিত প্ৰায় তিনিশ বছৰ পুৰণি শিৱ মন্দিৰ চৌহদত শিৱৰাত্ৰি উপলক্ষে বিভিন্ন ঠাইৰ পৰা অগণন ভক্তপ্ৰাণ লোক সমবেত হৈ নিজৰ নিজৰ শান্তিৰ বাবে আজি পূজা-অৰ্চনা কৰা পৰিলক্ষিত হয়। উল্লেখ্য যে পৰ্বতঝোৰাৰ কাজিগাঁও বজাৰৰ পৰা চাৰি কিঃ মিঃ দূৰৱৰ্তী পাহাৰীয়া ঠাই বৰ্শীঝোৰাৰ ৰাজভোমোৰা শিৱ মন্দিৰ চৌহদত ৩০০ বছৰ পূৰ্বে অৰ্থাৎ ১৭৩১ চনত এই শিৱ মন্দিৰটোৰে প্ৰতিষ্ঠা লাভ কৰিছিল বুলি প্ৰৱাদ আছে। এই শিৱ মন্দিৰটো দশকৰ পিছত দশক ধৰি ঠাইখনৰ ভক্তপ্ৰাণ ৰাইজে দৈনিক পূজা-অৰ্চনা কৰি আহিছে। লগতে প্ৰতি বছৰ শিৱৰাত্ৰি উপলক্ষে বিশেষ পূজাৰ আয়োজন কৰো অঞ্চলটোৰ ভক্তপ্ৰাণ ৰাইজে। ঠিক সেইদৰে এইবেলিও বৰ্শীঝোৰা ৰাজভোমোৰা গাঁৱত থকা এই ঐতিহাসিক মন্দিৰত শিৱৰাত্ৰি উপলক্ষে পুৱাৰে পৰা ভক্তপ্ৰাণ ৰাইজে নিজৰ শান্তি তথা বাবা শিৱৰ আৰ্শীবাদ বিচাৰি পূজা-অৰ্চনা কৰা পৰিলক্ষিত হয়। উল্লেখ্য যে দুদিনীয়া কাৰ্যসূচীৰে শিৱৰাত্ৰিৰ বাবে বিশেষ পূজাৰ আয়োজন কৰিছে শিৱমন্দিৰ পৰিচালনা কমিটীয়ে। আনহাতে, পৰ্বতঝোৰাৰ বৰ্শীঝোৰাৰ কচুডোলাত থকা শিৱ মন্দিৰত শিৱৰাত্ৰিৰ উপলক্ষে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে বিশ্ব ব্ৰহ্মাণ্ডৰ মংগল শান্তি যজ্ঞৰ আয়োজন কৰিছে বুলি শিৱ মন্দিৰৰ পৰিচালনাৰ দায়িত্বত থকা কৰ্মকৰ্তা সঞ্জয় নাথে জানিবলৈ দিয়ে। আজি শিৱৰাত্ৰি উপলক্ষে মন্দিৰত অগণন ভক্তৰ সমাগম হয়।

# বৰালিমাৰীত ছাত্ৰীৰ মাজত চেনিটাৰী নেপকিন বিতৰণ

**ই-সংবাদ, লাহৰীঘাট, ২৬ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলাৰ খহনীয়াগ্ৰস্ত তথা অতি পিছপৰা বৰালিমাৰী অঞ্চলৰ তিনিখনকৈ বিদ্যালয়ত আজি ভৰদা দেৱী সোঁৰৱণী লোক হিতৈষী ন্যাসৰ 'সুৰভি' আৰু নৰ্থ ইষ্টাৰ্ণ ইলেক্ট্ৰিক পাৱাৰ কৰ্পৰেচন প্ৰাইভেট লিমিটেডৰ সৌজন্যত ছাত্ৰীসকলৰ মাজত চেনিটাৰী নেপকিন বিতৰণ কৰা হয়। উল্লেখ্য যে ২০১৮ চনৰ পৰা অঞ্চলটোৰ জাপৰী মাধ্যমিক বিদ্যালয়ৰ লগতে পৰৱৰ্তী সময়ত বৰালিমাৰী মাধ্যমিক বিদ্যালয় আৰু ৰৌমাৰী মাধ্যমিক বিদ্যালয়তো গুৱাহাটীৰ ভৰদা দেৱী সোঁৰৱণী লোক হিতৈষী ন্যাসে 'চেনেহ'ৰ তৰফৰ পৰা ছাত্ৰীসকলৰ মাজত বিনামূলীয়াকৈ প্ৰতিমাহে চেনিটাৰী নেপকিন বিতৰণ কৰি আহিছে। লগতে স্বাস্থ্যজনিত সমস্যাৰ বিষয়ক শিক্ষাও প্ৰদান কৰি আহিছে। একেদৰে আজিও স্বেচ্ছাসেৱী সংস্থাটোৰ লগতে নৰ্থ ইষ্টাৰ্ণ ইলেট্ৰিক পাৱাৰ কৰ্পৰেচন প্ৰাঃলিঃৰ সৌজন্যত অঞ্চলটোৰ উক্ত তিনিওখন বিদ্যালয়ৰ ছাত্ৰীসকলৰ মাজত বিনামূলীয়াকৈ চেনিটাৰী নেপকিন বিতৰণৰ কৰা হয়।



আনহাতে, জাপৰী মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই অনুষ্ঠানতে ভৰদা দেৱী সোঁৰৱণী লোক হিতৈষী ন্যাসৰ 'চেনেহ'ৰ তৰফৰ পৰা জাপৰী মাধ্যমিক বিদ্যালয়ৰ দুগৰাকী মেধাৱী আৰু আৰ্থিকভাৱে দুৰ্বল ছাত্ৰী ক্ৰমে নৱম মানৰ কবিতা বিশ্বাস আৰু অষ্টম মানৰ চয়নিকা চহৰীয়াক প্ৰতি মাহে ১ হাজাৰকৈ টকা জলপানি হিচাপে প্ৰদানৰ প্ৰতিশ্ৰুতিৰে দুয়োগৰাকী মেধাৱী ছাত্ৰীকে আনুষ্ঠানিকভাৱে ১ হাজাৰকৈ টকাৰ জলপানি প্ৰদান কৰে। আজিৰ এই কাৰ্যসূচীত ভৰদা দেৱী সোঁৰৱণী লোক হিতৈষী ন্যাসৰ প্ৰতিষ্ঠাপক অধ্যক্ষ অতুল চন্দ্ৰ বৰুৱা, পৰিচালন ন্যাসৰক্ষী ডঃ নিৰ্ভয় চন্দ্ৰ ৰাভা আৰু উপ-পৰিচালনা ন্যাসৰক্ষী জুতিকা দেৱী উপস্থিত থাকে। গোটেই অনুষ্ঠানটো পৰিচালনাত সহযোগিতা কৰে স্বেচ্ছাসেৱী সংস্থাটোৰ মেহদী আলম,উত্তম ডেকা ৰাইহানুৰ ৰহমানসহ বহু কেইগৰাকী স্বেচ্ছাসেৱকে।

# দক্ষিণ কামৰূপত উলহ-মালহেৰে শিৱৰাত্ৰি উদযাপন



**ই-সংবাদ, মিৰ্জা, ২৬ ফেব্ৰুৱাৰীঃ** দক্ষিণ কামৰূপৰ বিভিন্ন অঞ্চলত মহাশিৱৰাত্ৰি উপলক্ষে ভক্তপ্ৰাণ ৰাইজৰ মাজত ব্যাপক উছাহ-উদ্দীপনা পৰিলক্ষিত হয়। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে দক্ষিণ কামৰূপৰ বিভিন্ন অঞ্চলত মহাশিৱৰাত্ৰি উদযাপন কৰা হয়। উপৰহালী চ'কৰ শিৱালয় আশ্ৰম, দখলা পাহাৰৰ শ্ৰীশ্ৰী বুঢ়া গোঁসাই থান, উপৰহালী দখলা বীণাপানি জ্যোতিষ কাৰ্যলয়, মিৰ্জা, ভাগৰতীপাৰা, হিন্দাল প্ৰভু মন্দিৰ, দহালী কৰ্কা, ৰামপুৰ আদিত মহাশিৱৰাত্ৰি উদযাপন কৰা হয়। পলাশবাৰী সমষ্টিৰ দখলা পাহাৰস্থিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী বুঢ়াগোসাঁই থানত অন্যবৰ্ষৰ দৰে এইবৰ্ষতো মহাশিৱৰাত্ৰি পূজা শ্ৰীশ্ৰী বুঢ়াগোসাঁই থান পৰিচালনা সমিতিৰ উদ্যোগত ২৪ ফেব্ৰুৱাৰী, সোমবাৰৰ পৰা ২৬ ফেব্ৰুৱাৰী, বুধবাৰলৈ তিনদিনীয়া বিভিন্ন কাৰ্যসূচীৰে আয়োজন কৰা হয়। পৰিচালনা সমিতিৰ সভাপতি ক্ৰমে দ্বীজেন শৰ্মা দলৈ, সাধাৰণ সম্পাদক শশী ভূষণ তালুকদাৰ, কাৰ্যকৰী সভাপতি কৈলাশ তালুকদাৰ, উপ- সভাপতিদ্বয় যতীন তালুকদাৰ, হীৰেন দাস, সহঃ সম্পাদকবৃন্দ ৰোহিত তালুকদাৰ, মুনীন্দ্ৰ দাস, মৃদুল কুমাৰ দাস, পৱিত্ৰ ঠাকুৰীয়া, দলৈ ধ্ৰুৱজ্যোতি শৰ্মা দলৈ, কৰ্ত্তা দীপক শৰ্মা দলৈৰ উদ্যোগত অনুষ্ঠানসমূহ নিয়াৰিকৈ উদযাপন কৰা হয়। আনহাতে, দক্ষিণ কামৰূপৰ এখন অন্যতম পূজাস্থলী বীণাপানি জ্যোতিষ কাৰ্যালয়ৰ স্বত্বাধিকাৰী জ্যোতিষী অপূৰ্ব দেৱ শৰ্মাৰ নেতৃত্বত সম্পূৰ্ণ একক প্ৰচেষ্টাত ২৬ ফেব্ৰুৱাৰী, বুধবাৰৰ পৰা ২৮ ফেব্ৰুৱাৰী, শুকুৰবাৰলৈ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ১৯ সংখ্যক শিৱৰাত্ৰি মহোৎসৱ বিজয়নগৰ দখলাত আয়োজন কৰা হৈছে। পহিলা দিনৰ বিশেষ আকৰ্ষণ হিচাপে থাকিব গণেশ বাবা মানৱ প্ৰতিমা প্ৰদৰ্শন, গৰেমাৰী শ্ৰীশ্ৰী গোপীনাথ ছোৱালী নাগাৰা নাম দলৰ নাম পৰিৱেশন আৰু নহিৰা একালব্যৰ থিয় নাম পৰিৱেশন। লগতে তিনিদিনত তিৰিশটা নাম দলে নাম পৰিৱেশন কৰিব। দ্বিতীয় দিনৰ বিশেষ আকৰ্ষণ হিচাপে থাকিব কণ্ঠশিল্পী বলদেৱ দাস, জিতুল পৰশ, নৰস্মিতা মেধিৰ গীতৰ শৰাই। তৃতীয় দিনৰ বিশেষ আকৰ্ষণ হিচাপে থাকিব মায়ং ধামখুন্দা পঞ্চানন নাট্য পৰিষদৰ নাট প্ৰদৰ্শন। বীণাপানি জ্যোতিষ কাৰ্যালয়ৰ উদ্যোগত আয়োজিত তিনিটাও দিনৰ বৰ্ণাঢ্য কাৰ্যসূচীত উদ্যোক্তা অপূৰ্ব দেৱ শৰ্মাই ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি কামনা কৰিছে।

# বিশিষ্ট সমাজ কৰ্মী উমেশ্বৰ পাঠকৰ বিয়োগত বংশৰত শোকৰ ছাঁ

**ই-সংবাদ, গুৱালকুছি, ২৬ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ অন্যতম কৃষি গ্ৰাম বংশৰ অঞ্চলৰ বয়োজ্যেষ্ঠ নাগৰিক, সমাজকৰ্মী, বংশৰ তিনিআলি নিবাসী উমেশ্বৰ পাঠক(৮১) ৰ যোৱা নিশা প্ৰায় ১২.১৯ বজাত বাৰ্ধক্যজনিত কাৰণত পৰলোক প্ৰাপ্তি ঘটে। বংশৰ অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত বিশেষকৈ সদৌ বংশৰ সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা উদযাপন সমিতি, বংশৰ শ্ৰীশ্ৰীলক্ষ্মী পূজা উদযাপন সমিতি, বংশৰ দৌল উৎসৱ উদযাপন সমিতি, ঐতিহাসিক শ্ৰীশ্ৰীভৃংগেশ্বৰ দেৱালয় পৰিচালনা সমিতি, সদৌ বংশৰ দেৱদামোদৰ সংঘৰ প্ৰাক্তন বিষয়ববীয়া তথা সক্ৰিয় কৰ্মী হিচাপে তেওঁ সমাজ সেৱাৰ চানেকি ৰাখি থৈ গৈছে। ৮৭ নং বংশৰ গাঁও পঞ্চায়তৰ প্ৰাক্তন সদস্য পাঠক বৃহত্তৰ গাঁওখনত এগৰাকী নিঃস্বাৰ্থ বিচাৰক হিচাপে সৰ্বজন জনপ্ৰিয় আছিল। তেওঁৰ মৃত্যুৰ খবৰ আজি বিয়পি পৰাৰ লগে লগে সমগ্ৰ গাঁওখনত গভীৰ শোকৰ ছাঁ পৰে আৰু গুণমুগ্ধৰে বাসগৃহ ভৰি পৰে। সমাজকৰ্মীগৰাকীৰ মৃত্যুত মহাপুৰুষ শ্ৰীমৎ দেৱদামোদৰ সংঘৰ বংশৰ আঞ্চলিক সমিতি, বংশৰ জ্যেষ্ঠ নাগৰিক সন্থা, শ্ৰীগোপাল গ্ৰাম্য আৰ্থ সামাজিক উন্নয়ন সমিতি, মহাপুৰুষ শ্ৰীমৎ দেৱদামোদৰ সংঘৰ প্ৰাক্তন কেন্দ্ৰীয় সংঘাধিকৰ্তা হৰ্ষবৰ্দ্ধন কাশ্যপ, বংশৰ আঞ্চলিক ছাত্ৰ সন্থা, পূব বংশৰ উন্নয়ন সমিআদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি শোক-সন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী চন্দ্ৰফুলি পাঠকসহ তিনি গৰাকী পুত্ৰ-বোৱাৰী, দুগৰাকী জীয়ৰী, জোঁৱাই আৰু নাতি-নাতিনী ইহসংসাৰত এৰি থৈ যায়।



আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰদূত ইভো ডাল্ডাৰৰ লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীক সাক্ষাৎ

# শিক্ষকৰ অনিয়মীয়া উপস্থিতি গুৰুত্ব নাই মন্দিয়া প্ৰাথমিক শিক্ষা বিষয়াৰ

**ই-সংবাদ, শিমলীতোলা, ২৭ ফেব্ৰুৱাৰীঃ** অসম চৰকাৰৰ শিক্ষা বিভাগে চৰকাৰী বিদ্যালয়ত শিক্ষকৰ উপস্থিতি নিয়মীয়া কৰাৰ ক্ষেত্ৰত কঠোৰ পদক্ষেপ গ্ৰহণ কৰিলেও ৰাজ্যৰ বিভিন্ন ঠাইত এতিয়াও শিক্ষকৰ উপস্থিতি নিয়মীয়া নহয়। এইসকল শিক্ষকে নিয়মীয়াকৈ দৰমহা লাভ কৰি আছে যদিও বিদ্যালয়ত উপস্থিতি অনিয়ীয়া। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ নিৰ্দেশকো কেৰেপ নকৰে এইসকল শিক্ষকে। চেঙাৰ মন্দিয়া শিক্ষা খণ্ডৰ অন্তৰ্গত বাঘমাৰা চৰৰ ১৯৭৮ নং বাঘমাৰা কালি খোলা শিশু প্ৰাথমিক বিদ্যালয়ৰ স্থানীয় লোকৰ মন্তব্যই উদঙাইছে চৰকাৰী শিক্ষা ব্যৱস্থাৰ প্ৰকৃত স্বৰূপ। ১৯৭৮ নং বাঘমাৰা কালি খোলা শিশু প্ৰাথমিক বিদ্যালয়ত ১৩২ জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে তিনিজন শিক্ষকে পাঠদান কৰি আছে যদিও তাৰে ছোলেমান আলী নামৰ সহঃ শিক্ষকজন ১৫ দিন ধৰি বিদ্যালয়ত অনুপস্থিত। আনহাতে, ত্ৰৈলোক্য নাথ নামৰ শিক্ষকজনেও সোমবাৰে অনুপস্থিত থাকে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি শিক্ষক ছোলেমান আলীয়ে প্ৰায়ে স্কুল ক্ষতি কৰে। উক্ত বিষয়টো সাংবাদিকৰ লগতে স্থানীয় ৰাইজে ল'ৰা-ছোৱালীৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি মন্দিয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়া মাধৱ পাটগিৰিক ফোন যোগে অভিযোগ দিয়াত ব্যৱস্থা গ্ৰহণ কৰাৰ পৰিৱৰ্তে ৰহস্যজনকভাৱে বিৰক্তি অনুভৱ কৰি গুৰুত্ব নিদিয়া পৰিলক্ষিত হয়। ৰাইজে প্ৰধান শিক্ষকক প্ৰশ্ন কৰাত শিক্ষক ছোলেমানে একো নোকোৱাকৈ মনে মনে ঘৰলৈ যায় যদিও দীৰ্ঘদিন স্কুললৈ নহাৰ ফলত বিষয়টো বিভাগীয়ভাৱে অৱগত কৰাতহে গম পায় ছুটি লোৱা বুলি আনজন শিক্ষকে। ত্ৰৈলোক্যনাথ নাথে বিশেষ অসুবিধাৰ বাবে আহিব নোৱাৰিলে বুলি ফোনত কয় যদিও দুয়োজনৰেই কোনো ধৰণৰ ছুটি মঞ্জুৰিৰ আবেদন পত্ৰ প্ৰধান শিক্ষকৰ হাতত নাই, বিভাগীয় উৰ্ধতম কৰ্তৃপক্ষ থাকিলেই বুলি বিদ্যালয় এখনৰ প্ৰধান শিক্ষকক একো নোকোৱাকৈ, ছুটি মঞ্জুৰিৰ আবেদন প্ৰধান শিক্ষকক নিদিয়াকৈ দীৰ্ঘদিন বিদ্যালয়ত উপস্থিত নথকটো কিমান গ্ৰহণযোগ্য বুলি ৰাইজে প্ৰশ্ন উত্থাপন কৰাৰ লগতে বিদ্যালয়ত শিক্ষকৰ অনিয়মীয়া উপস্থিতিৰ ক্ষেত্ৰত বা দীৰ্ঘলীয়া ছুটিৰ ক্ষেত্ৰত মন্দিয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়া মাধৱ পাটগিৰি আৰু শিক্ষকসকলৰ গোপোন বুজাবুজিৰে হয় নেকি বুলি স্থানীয় ৰাইজে প্ৰশ্ন কৰে। ছাত্ৰ অনুপাতে শিক্ষক নিযুক্তি দিয়া আৰু চৰাঞ্চলৰ প্ৰতিখন বিদ্যালয়ৰ শিক্ষকৰ অনিয়মীয়া উপস্থিতি ৰোধৰ ক্ষেত্ৰত কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ জিলা আয়ুক্তৰ লগতে বিভাগীয় উৰ্ধতম কৰ্তৃপক্ষক ৰাইজে দাবী জনাইছে।

# আজিও মেৰামতি নহ'ল ভখুৰাদিয়া এণ্ডু ডি মথাউৰি সংলগ্ন পথৰ বিধ্বস্ত কাঠৰ দলং

**ই-সংবাদ, নগৰবেৰা, ২৬ ফেব্ৰুৱাৰীঃ** ৰাজ্যৰ বাট-পথ, দলং নিৰ্মাণ আৰু মেৰামতিৰ বাবে চৰকাৰে কোটি কোটি টকা আবণ্টন দি আহিলেও আজিও একাংশ অঞ্চলৰ বাট পথ আৰু দলঙৰ কোনো উন্নয়ন যে হোৱা নাই সেয়া কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত সোণতলী জিলা পৰিষদ এলেকাৰ একাংশ বাট-পথ আৰু দলঙৰ বিধ্বস্ত অৱস্থা চালেই সহজে অনুমান হয়। জিলা পৰিষদ এলেকাৰ একাধিক পথ আৰু দলঙৰ পুতৌলগা অৱস্থাৰ বাবে ৰাইজে দীৰ্ঘদিনৰ পৰা যাতায়াতৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ভুগিবলগীয়া হৈছে। বাট-পথৰ লগতে বিশেষকৈ অঞ্চলটোৰ ভখুৰাদিয়া ইএণ্ডডি মথাউৰি-মহিশখুটি সংযোগী পথৰ কাঠৰ দলঙৰ জৰাজীৰ্ণ অৱস্থাৰ বাবে যাতায়াত ব্যৱস্থা ব্যাহত হোৱাৰ উপক্ৰম হৈছে। জৰাজীৰ্ণ কাঠৰ দলংখনৰ ওপৰেদি যাতায়াত কৰোঁতে ইতিমধ্যে বহু বাইক আৰু চাইকেল আৰোহীয়ে দুৰ্ঘটনাত পতিত হ'বলগীয়া হৈছে। দলংখনৰ বিধ্বস্ত অৱস্থাৰ বাবে যিকোনো মুহূৰ্তত পথচাৰী ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকাত ভুগিছে। ইমানৰ পিছতো ৰাইজে দলংখন মেৰামতি তথা পকীকৰণৰ বাবে বাৰম্বাৰ জনোৱা দাবীৰ প্ৰতি চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই ন্যূনতম গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপিত হৈছে। সম্প্ৰতি বৃহত্তৰ অঞ্চলটোৰ একাধিক গাঁৱৰ ৰাইজ, ছাত্ৰ-ছাত্ৰী আৰু বিভিন্ন স্তৰৰ লোকে নিতৌ দলংখনৰ ওপৰেদিএক বিপদসংকুল পৰিৱেশৰ মাজেৰে যাতায়াত অব্যাহত ৰাখিবলগীয়া হৈছে। এনে বিপদসংকুল যাতায়াত ব্যৱস্থাক লৈ অধিক চিন্তিত হৈ পৰিছে অঞ্চলটোৰ ৰাইজ। শীঘ্ৰে যাতায়াতৰ স্বাৰ্থত ব্যস্ত পথটোত থকা কাঠৰ দলংখন মেৰামতি তথা পকীকৰণৰ কাম আৰম্ভ কৰিবলৈ চৰকাৰ, বিভাগীয় কৰ্তৃপক্ষ, স্থানীয় বিধায়িকা নন্দিতা দাস, কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰক দাবী জনাইছে।

# জ্যেষ্ঠ ছুন্নী মৌলানা আলহাজ হায়দৰ আলী চাহেবৰ ঈচালে চাৱাবৰ মীলাদ সম্পন্ন

**ই-সংবাদ, দুমুনিচকী, ২৬ ফেব্ৰুৱাৰীঃ** আজি ছিপাঝাৰ সমীপৱৰ্তী ইছলামপুৰ (ব্যাসপাৰা)ৰ জ্যেষ্ঠ ছুন্নী আলিম মৌলানা আলহাজ হায়দৰ আলী চাহেবৰ ঈচালে চাৱাবৰ উদ্দেশ্যে মীলাদ শ্বৰীফ সম্পন্ন হয়। কাৰ্যসূচী অনুসৰি পুৱা ৮.০০ বজাত কুৰআন খতম, দিনৰ ১১.০০ বজাত অনুষ্ঠিত মীলাদ শ্বৰীফত মুখ্য অতিথিৰ আসন অলংকৃত কৰে বিশিষ্ট ইছলামিক বক্তা মুফতী ৱালিউদ্দিন মিশ্ববাহীয়ে। তেওঁৰ ভাষণত মৌলানা হায়দৰ আলী চাহেবৰ বিষয়ে কয়। তেওঁ কয় যে হায়দৰ আলী চাহেব এগৰাকী আহলে ছুন্নত ৱাল জামাআ'তৰ বিশিষ্ট আলিম আছিল। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে মুফতী তাজনুৰ আলী ক্বাদিৰী, সন্মানীয় অতিথি হিচাপে বিশিষ্ট লেখক, কবি, 'শ্বেৰে অসম' খলীফা মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰী, আমন্ত্ৰিত অতিথি হিচাপে হাফিজ শ্বামছুদ্দিন আহমেদ, মৌলানা আব্দুল হাকিম ক্বাদিৰী, মৌলানা নুৰ ইছলাম, হাফিজ চাজিদ ইকবাল, হাফিজ মিৰ্জা গোলাম মোস্তাফা, অৱসৰপ্ৰাপ্ত শিক্ষক আলহাজ মকবুলৰ লগতে স্থানীয় উলামায়ে কিৰাম উপস্থিত থাকে।

# নগাঁৱত শিৱৰাত্ৰিৰ গইনা লৈ ভাঙৰ মুকলি বেহা

**ই-সংবাদ, বেবেজীয়া, ২৬ ফেব্ৰুৱাৰীঃ** সমগ্ৰ ৰাজ্যৰ দৰে নগাঁও জিলাৰ সৰ্ব প্ৰান্ততে বুধবাৰে ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে পালন কৰা হয় মহাশিৱৰাত্ৰি মহোৎসৱ। দেৱাদি দেৱ মহাদেৱক আৰাধনা কৰাৰ নিমিত্তে পুৱাৰে পৰা ভক্তৰ সমাগমেৰে উদুলি-মুদুলি হৈ পৰা মন্দিৰ-দেৱালয়সমূহ সন্ধ্যা বিৰ দি বাট নোপোৱা পৰিস্থিতিৰ সৃষ্টি হোৱা দেখিবলৈ পোৱা যায়। কিন্তু নগাঁও চহৰৰ লগতে ইয়াৰ পাৰ্শ্বৱৰ্তী একাংশ মহোৎসৱস্থলীত অবাধে ভাঙৰ মুক্ত বেহা চলা কাৰ্যই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে সচেতন লোকৰ মাজত। প্ৰধানকৈ শিৱৰাত্ৰিৰ গইনা লৈ একাংশ মন্দিৰ প্ৰাংগণত বহোৱা অস্থায়ী দোকানত সম্পূৰ্ণ মুকলিভাৱেই বিক্ৰী কৰা হয় ভাং। পৰিণতিত এচাপ চেমনীয়া যুৱকে এই নিচাযুক্ত সামগ্ৰী বিধ শিৱৰ প্ৰসাদৰূপে জনসমাগমৰ মাজতেই দ্বিধাহীনভাৱে সেৱন কৰাত পৰিৱেশ কলুষিত হৈ পৰাৰ অভিযোগ তুলিছে একাংশ সচেতন ব্যক্তিয়ে। আনকি ঠায়ে ঠায়ে এচাম গুৰু-গোসাঁই নমনা উতনুৱা যুৱকে ভাঙৰ ৰাগীত কৰা চূড়ান্ত উদ্ভণ্ডালিয়ে ভক্ত তথা যুৱতী আৰু মহিলাসকলক এক অস্বস্তিকৰ পৰিস্থিতিৰ মুখামুখি কৰা দৃষ্টিগোচৰ হয়।

# নগৰবেৰাৰ পাহাৰপাৰাৰ শ্ৰী শ্ৰী বুঢ়াগোহাঁই মন্দিৰত মহাশিৱৰাত্ৰি উদযাপন

**ই-সংবাদ, নগৰবেৰা, ২৬ ফেব্ৰুৱাৰীঃ** সমগ্ৰ ৰাজ্যৰ লগতে কামৰূপ জিলাৰ নগৰবেৰাৰ পাহাৰপাৰাৰ শ্ৰী শ্ৰী বুঢ়াগোহাঁই মন্দিৰ প্ৰাংগণত এক উখল মাখল পৰিৱেশৰ মাজেৰে মহাশিৱৰাত্ৰি উদযাপন কৰা হয়। এই উপলক্ষে পুৱাৰে পৰা মন্দিৰ প্ৰাংগণত বিভিন্ন প্ৰান্তৰ পৰা শ শ পুৰুষ মহিলা, আবাল বৃদ্ধ-বনিতাৰ সমাগম হয়। ভক্তসকলে হাতে হাতে ধূপ-বন্তি লৈ অপায়, অমংগল, বিপদ, বাধা বিঘিনিসমূহ দূৰ হোৱাৰ লগতে তেওঁলোকৰ মনোবাঞ্ছা যাতে পূৰণ হয় তাৰ বাবে মন্দিৰত পূজা-অৰ্চনা কৰি দেৱাদিদেৱ মহাদেৱৰ চৰণত ভক্তিভাৱেৰে সেৱা জনায়। তদুপৰি শিৱপূজা উপলক্ষে মন্দিৰ প্ৰাংগণত নাগাৰা নাম, সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। ঐতিহাসিক নগৰবেৰা পাহাৰৰ দাঁতিতে এক সুন্দৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশৰ মাজত অৱস্থিত শ্ৰী শ্ৰী বুঢ়াগোহাঁই মন্দিৰত সম্পূৰ্ণ আধ্যাত্মিকতাৰ মাজেৰে মহাশিৱৰাত্ৰি উৎসৱ উদযাপন কৰা হয়। পাহাৰপাৰাৰ শ্ৰী শ্ৰী বুঢ়াগোহাঁই মন্দিৰ ভাগক পৰ্যটনৰ বাবে আকৰ্ষণীয় স্থান হিচাপে গঢ় দিবৰ বাবে স্থানীয় ৰাইজে বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# লিডুৰ আৰ্চাৰ্যী বস্তি গাঁৱৰ যুৱতী নিখোজ

**ই-সংবাদ, মাৰ্ঘেৰিটা, ২৬ ফেব্ৰুৱাৰীঃ** মাৰ্ঘেৰিটা লিডুৰপৰা এগৰাকী যুৱতী নিখোজ হোৱা বুলি জানিব পৰা গৈছে। নিৰুদ্দিষ্ট যুৱতীগৰাকী মাৰ্ঘেৰিটা সমজিলাৰ লিডু আৰক্ষী চকী অন্তৰ্গত আৰ্চাৰ্যী বস্তি গাঁৱৰ প্ৰয়াত বীৰেন্দ্ৰ প্ৰসাদৰ কন্যা বেবী কুমাৰী প্ৰসাদ (২৪)। কিছুদিনৰ পূৰ্বেও লিডুৰপৰা ৩ গৰাকী যুৱতী নিখোজৰ ঘটনাৰ মাৰ নৌযাওঁতেই পুনৰ লিডুৰ আন এগৰাকী যুৱতী নিখোজ হোৱাক লৈ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা অনুসৰি সোমবাৰে পুৱা লিডুৰপৰা ৰেলৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ এম এ পৰীক্ষা ৰিজাল্ট ল'বলৈ ওলাই যোৱা পিছৰেপৰা নিখোজ হৈ আছে যুৱতীগৰাকী। পৰিয়ালৰ লোকে জানিবলৈ দিয়া অনুসৰি আবেলি ৩ বজাত যুৱতীগৰাকীক ফোন কৰাত ডিব্ৰুগড় বাণীপুৰ ষ্টেচনত ৰে'লৰ বাবে বৈ থকাৰ কথা যুৱতীগৰাকীয়ে জানিবলৈ দিছিল। কিন্তু ৫.৪৫ বজাত পৰিয়ালৰ লোকে পুনৰ যোগাযোগ কৰাত যুৱতীগৰাকীৰ ফোনৰ চুইছ অফ পায়। পৰিয়ালৰ লোকে যুৱতীগৰাকীৰ নিখোজ সন্দৰ্ভত ইতিমধ্যে লিডু আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে যদিও বৰ্তমানলৈকে যুৱতীগৰাকীৰ সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই। যুৱতীগৰাকী উদ্ধাৰৰ ক্ষেত্ৰত আৰক্ষীয়ে লোৱা ভূমিকাক লৈয়ো সন্তুষ্ট নহয় পৰিয়ালবৰ্গ। কোনো লোকে যুৱতীগৰাকীৰ সন্ধান পালে ওচৰৰ আৰক্ষী থানাত নাইবা ৮৩৯৯৯৯৯৭১১ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে কাতৰ আহ্বান জনাইছে।

# ২০ ফুট উচ্চতাৰ শিৱলিংগ, তামুলপুৰত আৰম্ভ নিৰ্মাণৰ কাম

**ই-সংবাদ, তামুলপুৰ, ২৬ ফেব্ৰুৱাৰীঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত বেলতল চুবুৰীত আজি শিৱৰাত্ৰিৰ দিনা ২০ ফুট উচ্চতাৰ শিৱ লিংগ এটা নিৰ্মাণৰ উদ্বোধন কৰা হয়। এক মাংগলিক পৰিৱেশত ২০ ফুট উচ্চতাৰ শিৱ লিংগ নিৰ্মাণৰ উদ্বোধন কৰে পশ্চিম তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, প্ৰবীণ সমাজকৰ্মী শ্ৰীপতি ৰাম বৰাই। উদ্বোধনী ভাষণত তেওঁ বেলতল চুবুৰীৰ ৰাইজে মিলি শিৱ লিংগ নিৰ্মাণ কৰিবলৈ লোৱা বিষয়টোৰ প্ৰশংসা কৰে। উদ্বোধনী অনুষ্ঠানত তামুলপুৰৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে বন্তি প্ৰজ্বলনকৰে। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি সম্বৰ্ধনা অনুষ্ঠানৰো আয়োজন কৰা হয়। ৰাইজৰ দান-বৰঙণিৰে নিৰ্মাণ কৰিবলৈ লোৱা ২০ ফুট উচ্চতাৰ শিৱ লিংগটোৰ সম্পৰ্কত যুৱনেতা জ্যোতিপ্ৰসাদ দাসে সংবাদ মাধ্যমৰ আগত কয়-- তামুলপুৰ জিলাৰ কালাকুছি গাঁৱৰ বেলতল চুবুৰী এটা পিছপৰা অঞ্চল। কিন্তু অঞ্চলটোৰ ৰাইজৰ সামাজিক মনোবল অতি শক্তিশালী। সেইবাবেই আমি ২০ ফুট উচ্চতাৰ শিৱ লিংগ এটা নিৰ্মাণ কৰিবলৈ গৈ আছো। এই শিৱ লিংগটো নিৰ্মাণ হৈ উঠিলে তামুলপুৰ জিলাৰ পৰ্যটনস্থলীৰ এটা অন্যতম মাধ্যম হৈ পৰিব পাৰে। এই শিৱ লিংগটোৰ দ্বাৰা অকল পৰ্যটনস্থলীয়ে নহয় ইয়াৰ আধ্যাত্মিক শক্তিৰ দ্বাৰা এই অঞ্চলটোৰ ঋণাত্মক শক্তিবোৰ নাশ কৰি ধণাত্মক শক্তি বিয়পোৱাৰ এক মাধ্যম হৈ পৰিব।

# মাজুলীৰ লোকনিৰ্মাণ বিভাগৰ কাৰ্যালয়ত দুই কৰ্মচাৰীৰ মাৰপিট

**ই-সংবাদ, মাজুলী, ২৬ ফেব্ৰুৱাৰীঃ** মাজুলীৰ এটা গুৰুত্বপূৰ্ণ চৰকাৰী কাৰ্যালয়ত কাৰ্যালয় চলি থকাৰ মাজতে সংঘটিত এক মাৰপিটৰ ঘটনাই এতিয়া বিশেষ চৰ্চা লাভ কৰিছে। প্ৰত্যক্ষদৰ্শীৰ পৰা জানিব পৰা মতে মাজুলীৰ গড়মুৰস্থিত লোকনিৰ্মাণ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তাৰ গ্ৰাম্য পথ উপ-সংমণ্ডলৰ কাৰ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী বিদ্যাধৰ চিন্তে আৰু মুখ্য সহায়ক দাদুল পায়েঙৰ সাধাৰণ কথাতে হোৱা মতানৈক্যৰ বাবে দুয়োৰে মাজত প্ৰচণ্ড মাৰপিটৰ ঘটনা সংঘটিত হয় বুলি জানিব পৰা গৈছে। এই সন্দৰ্ভত দুয়োগৰাকী কৰ্মচাৰীয়ে অভিযোগ-প্ৰতি অভিযোগেৰে আত্মপক্ষৰসমৰ্থনত মন্তব্য কৰে যদিও ঘটনাৰ পিছতে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী বিদ্যাধৰ চিন্তেক বদলি কৰে। মুখ্য সহায়ক দাদুল পায়েঙৰ বিৰুদ্ধে কাৰ্যালয় কৰ্তৃপক্ষই কি ব্যৱস্থা গ্ৰহণ কৰে এই মুহূৰ্তলৈকে জানিব পৰা হোৱা নাই। মাজুলীৰ এটা চৰকাৰী কাৰ্যালয়ৰ ভিতৰত মাৰপিটৰ দৰে উক্ত ঘটনা সংঘটিত হোৱাৰ কাৰ্যই এতিয়া মাজুলীত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। দুগৰাকী কৰ্মচাৰীয়ে কাৰ্যালয় চলি থকাৰ মাজতে লজ্জাজনকভাৱে মাৰপিটত লিপ্ত হোৱাই এতিয়া কাৰ্যালয়টোৰ বৰমূৰীয়াৰ অনুশাসন নথকাৰ বাবেই একপ্ৰকাৰ অৰাজকতাই বিৰাজ কৰা বুলি এতিয়া প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# এডভান্টেজ আছাম, হোজাই জিলাত চৰকাৰৰে ২৬০ কোটি টকাৰ বুজাবুজি চুক্তি সম্পন্ন

**ই-সংবাদ, মোৱাঝাৰ, ২৬ ফেব্ৰুৱাৰীঃ** ৰাজ্য চৰকাৰ তথা মুখ্যমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই হোজাই জিলাৰ অন্তৰ্গত বিভিন্ন এলেকাৰ ৬০ গৰাকী বিশিষ্ট ব্যৱসায়ীয়ে চৰকাৰৰ সৈতে বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিছে। এই উপলক্ষে হোজাইৰ শ্ৰীমন্ত শংকৰদেৱ নগৰত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আয়ুক্ত বিদ্যুত বিকাশ ভাগৱতীৰ অধ্যক্ষতাত জিলাখনৰ ব্যৱসায়ী আৰু প্ৰশাসনৰ বিষয়াসকলৰ উপস্থিতিত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত প্ৰথমে এডভান্টেজ আছাম ২.০ ৰ ভাৰ্চুৱেল সভাত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, অসমৰ মুখ্যমন্ত্ৰী আৰু দেশৰ উদ্যোগপতিসকলৰ বক্তব্য পোনপটীয়াকৈ জিলা আয়ুক্তৰ সভাকক্ষত সমৱেত সকলোকে শুনোৱা হয় । ইয়াৰ পাছত এডভান্টেজ অসম ২.০ ৰ বাবে বুজাবুজি চুক্তি স্বাক্ষৰ কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানে হোজাইৰ অৰ্থনৈতিক বৃদ্ধি, বিনিয়োগ আৰু উন্নয়নক লাভান্বিত কৰাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য পদক্ষেপ হিচাপে চিহ্নিত কৰিব বুলি জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে আশা ব্যক্ত কৰে। হোজাই জিলাৰ বিভিন্ন অঞ্চলক এক প্ৰধান ব্যৱসায়িক আৰু ঔদ্যোগিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি সভাত বিষদভাৱে আলোচনা কৰে জিলা আয়ুক্ত বিদ্যুত বিকাশ ভাগৱতীয়ে। এই পদক্ষেপৰ গুৰুত্বক উজ্জ্বল কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ সংবাদ মাধ্যমৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি জিলা আয়ুক্তই উল্লেখ কৰে। লগতে কয় বাতৰি পৰিৱেশনে স্থানীয় ব্যৱসায়, উদ্যোগ আৰু অংশীদাৰসকলৰ বাবে উপস্থাপন কৰা সুযোগসমূহৰ প্ৰতি সজাগতা নিশ্চিতভাৱে আনিব। আজিৰ এই বুজাবুজি চুক্তি অনুষ্ঠানত জিলাখনৰ অতিৰিক্ত



আয়ুক্তসকল, ডবকা, হোজাই আৰু লংকা ৰাজহ চক্ৰৰ চক্ৰ-বিষয়া, খণ্ড উন্নয়ন বিষয়া, হোজাই জিলা কৃষি বিষয়াসহ অন্যান্যসকল উপস্থিত আছিল। এই চুক্তি স্বাক্ষৰে হোজাই জিলাক উন্নতিৰ দিশলৈ আগবঢ়াই নিয়াত সহায় কৰিব বুলি জিলা আয়ুক্তগৰাকীয়ে আশা ব্যক্ত কৰে।

# সাহাদত হোছেইনলৈ ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠানৰ শ্ৰেষ্ঠ কৃষি উদ্ভাৱনী বঁটা

**ই-সংবাদ, বৰপেটাৰোড, ২৬ ফেব্ৰুৱাৰীঃ** ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠানে এই বছৰৰ সৰ্বশ্ৰেষ্ঠ কৃষি উদ্ভাৱনী বঁটা-- ২০২৫ আগবঢ়াইছে বৰপেটা নাৰ্চাৰীৰ স্বত্বাধিকাৰী তথা আদৰ্শ কৃষক সাহাদত হোছেইনলৈ। যোৱা ২২ ফেব্ৰুৱাৰীৰ পৰা ২৪ ফেব্ৰুৱাৰীলৈ নতুন দিল্লীত অনুষ্ঠিত হোৱা পুছা বিজ্ঞান মেলাৰ এক অনুষ্ঠানত সাহাদত হোছেইনলৈ এই বঁটা আগবঢ়োৱা হৈছে। ইয়াৰ আগতেও ৰাজ্যিক পৰ্য্যায়ত বিভিন্ন বঁটা লাভ কৰা প্ৰচাৰ বিমুখ সাহাদত হোছেইনে ২০০২ চনত বৰপেটা জিলাৰ কাটাঝাৰ পথাৰত মাত্ৰ ডেৰ বিঘা মাটিত বৰপেটা নাৰ্চাৰী নামেৰে গঢ়ি তুলিছিল এখন সৰু নাৰ্চাৰী। ওৰেটো জীৱন কৃষিক্ষেত্ৰত জড়িত থাকি সাহাদত হোছেইনে নিৰৱচ্ছিন্নভাৱে ৰাজ্যৰ অৰ্থনীতিত আগবঢ়াই গৈছে এক অনন্য অৱদান। বিভিন্ন সময়ত গ্ৰাফটিং পদ্ধতি ব্যৱহাৰ কৰি আলু গছত বিলাহী উৎপাদন কৰা সেই সময়ৰ উত্তৰ-পূৰ্বাঞ্চলৰ দ্বিতীয়জন কৃষক হিচাপে নিজৰ কৰ্মদক্ষতাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছিল। তদুপৰি বিভিন্ন সময়ত কৃষি পৰিচৰ্যা আৰু বিজ্ঞানভিত্তিক কৃষিকাৰ্য্যৰ দ্বাৰা কেনেকৈ স্বাৱলম্বী হ'ব পাৰি তাৰ বিষয়েও বিভিন্নজনক সহায় কৰি আহিছিল সাহাদত হোছেইনে। তেওঁ অসমৰ কৃষি বিভাগৰ দ্বাৰাও সন্মানিত হৈছিল। এসময়ত চাকৰিৰ নিচা বাদ দি কৃষিকে একমাত্ৰ সম্বল হিচাপে বাছি লোৱা সাহাদত হোছেইনে বহুতো ঘাত-প্ৰতিঘাত নেওচি আজি এই বছৰৰ অসমৰ পৰা ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ সৰ্বশ্ৰেষ্ঠ কৃষি উদ্ভাৱনী বঁটা ২০২৫ লাভ কৰিবলৈ সক্ষম হ'ল। শ্ৰেষ্ঠ কৃষি উদ্ভাৱনী বঁটা প্ৰাপক সাহাদত হুছেইনৰ কৰ্মস্থলী কাটাঝাৰ পথাৰস্থিত বৰপেটা নাৰ্ছাৰীত আজি বৰপেটা জিলা আমছুৰ সাধাৰণ সম্পাদক শ্বেখ কাৰিনুৰ ইছলামৰ নেতৃত্বত এটি সঁজাতি দলে উপস্থিত হৈ হুছেইনক এটি বিহুৱান আৰু জাপিৰে সম্বৰ্ধনা জনাই শ্বেখ কাৰিনুৰ ইছলামে হুছেইনৰ এই প্ৰাপ্তিক সাৰোগত কৰি অসমৰ কৃষকসকলে আগবাঢ়ি গৈ কৃষি ব্যৱস্থা অধিক টনকিয়াল কৰিবলৈ আহ্বান জনায়। তেওঁ অসম চৰকাৰকো কৃষকসকলক পৰ্যাপ্ত পৰিমাণৰ সা-সুবিধা প্ৰদান কৰাৰ লগতে শ্ৰমৰ উপযুক্ত মূল্য দি সন্মানেৰে সমাজত জীয়াই থকাৰ প্ৰেৰণা দিবলৈ চৰকাৰক আহ্বান জনায়।



মৰিয়নিৰ নকছাৰি মৰঙিয়ালত উদ্ধাৰ হোৱা ভালুক পোৱালি দুটা, ফটোঃ ই-সংবাদ, মৰিয়নি

# ওদালগুৰিত কেন্দ্ৰীয়ভাৱে ছহিদ মণিৰাম দেৱান দিৱস পালন

**ই-সংবাদ, ওদালগুৰি, ২৬ ফেব্ৰুৱাৰীঃ** সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু ওদালগুৰি জিলা সমিতিৰ সহযোগত আজি ওদালগুৰি চহৰৰ বিষ্ণুৰাভা কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত ছহিদ মণিৰাম দেৱান দিৱস পালন কৰা হয়। কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৯-১৫ বজাত সন্মিলনৰ পতাকা উত্তোলন কৰে কেন্দ্ৰীয় সমিতিৰ সভাপতি ডা: ৰমেন কুমাৰ কাকতিয়ে। ৯.৩০ বজাত স্মৃতি তৰ্পন কৰে সন্মিলনৰ কেন্দ্ৰীয় সাধাৰন সম্পাদক নয়ন কলিতাই। ৯.৪৫ ছহিদ মনিৰাম দেৱানৰ প্ৰতিচ্ছবিত মাল্যৰ্পন কৰে আদৰণি সমিতিৰ সভাপতি মধুৰাম ডেকাই। ইয়াৰ পাছত ছহিদ মণিৰাম দেৱান দিৱসৰ লগত সংগতি ৰাখি 'ছহিদ মণিৰাম দেৱানৰ ত্যাগ আৰু স্মৃতি' বিষয়ত এখন আলোচনা-চক্ৰও অনুষ্ঠিত কৰা হয়। সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ কেন্দ্ৰীয় সভাপতি ডাঃ ৰমেন কুমাৰ কাকতিৰ সভাপতিত্বত অনুষ্ঠিত এই আলোচনা-চক্ৰত উপস্থিত থাকি বি টি আৰৰ উপ-মুখ্য কাৰ্য্যবাহী সদস্য তথা ওদালগুৰিৰ বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে ছহিদগৰাকীক স্মৰণ কৰাৰ লগতে ভাষণত ছহিদ মণিৰাম দেৱানে আগবঢ়োৱা অৱদান আৰু ত্যাগক ভাৰতবাসীয়ে চিৰদিন মনত ৰাখিব বুলি উল্লেখ কৰে। মনিৰাম দেৱানৰ ত্যাগ কেৱল কলিতা জনগোষ্ঠীৰ বাবে নহয়, সকলো জনগোষ্ঠীৰ বাবেই প্ৰেৰণাদায়ক বুলিও বসুমতাৰীয়ে মন্তব্য কৰে। তেওঁ জাতি-জনগোষ্ঠীৰ উন্নয়নৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও ভাষণত উল্লেখ কৰে। অনুষ্ঠানত সন্মিলনৰ উপদেষ্টা ত্ৰিদীপ কলিতা আৰু পানেৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ তাৰানাথ কলিতাই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি ছহিদ মনিৰাম দেৱানৰ অৱদানৰ বিষয়ে বাখ্যা কৰে। অনুষ্ঠানত কলিতা জনগোষ্ঠীৰ সাংস্কৃতিক দলে অসমীয়া জনগোষ্ঠীয় পৰম্পৰা "মহোহো" পৰিৱেশন কৰে। উক্ত অনুষ্ঠানত অসমৰ বিভিন্ন প্ৰান্তৰ কেইবাগৰাকীও বিশিষ্ট লোকে অংশগ্ৰহণ কৰে।

# বৈদ্যগড়ত কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তন

**ই-সংবাদ, ৰঙিয়া, ২৬ ফেব্ৰুৱাৰীঃ** বিশ্ব শান্তিৰ বাবে ৰঙিয়াৰ বৈদ্যগড় চক্ৰৰ অন্তৰ্গত তৰণীস্থিত শাখা সেৱাশ্ৰমত অহা ২ মাৰ্চত বাৰঘন্টীয়া কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তনৰ ব্যাপক আয়োজন কৰা হৈছে। তদুপলক্ষে তপন লহকৰক সভাপতি, হেমন্ত কলিতাক কাৰ্যকৰী সভাপতি আৰু প্ৰবীৰ কলিতা, অৰূপ দাসক যুটীয়া সম্পাদক হিচাপে লৈ গঠিত একনাম পৰিচালনা সমিতিয়ে ইতিমধ্যে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। কাৰ্যসূচী অনুসৰি পুৱা ৫.৫০ বজাত শ্ৰীমদ্ভাগৱত সাৰ প্ৰতিষ্ঠাৰ পিছত ৬ বজাত কৃষ্ণগুৰু জয়ধ্বনিৰে অখণ্ড কীৰ্তন আৰু নামজপৰ শুভ আৰম্ভণি কৰা হ'ব। আনহাতে, পুৱা ১০ বজাত ভকত-ভক্তাই গুৰুকৃষ্ণ প্ৰেমানন্দ প্ৰভুক আদৰণি জনাব। দিনৰভাগত সমৱেত ভকত-ভক্তাসকলৰ মাজত প্ৰসাদ আৰু সিদ্ধান্ন বিতৰণ কৰা হ'ব। সন্ধিয়া ৬ বজাত কৃষ্ণগুৰু কাকুতি ঘোষা আৰু জয়ধ্বনিৰে অনুষ্ঠানৰ পৰিসমাপ্তি ঘটিব।

# নগাঁৱৰ বটাবাৰীত উদ্ধাৰ নৱজাতকৰ মৃতদেহ, চাঞ্চল্য

**ই-সংবাদ, বেবেজীয়া, ২৬ ফেব্ৰুৱাৰীঃ** মানৱ সমাজক লজ্জানত কৰা এক ঘটনা সংঘটিত হৈছে নগাঁও জিলাৰ পশ্চিমপ্ৰান্তৰ বটাবাৰীত। জিলাখনৰ ধিং আৰক্ষী থানাৰ অন্তৰ্গত বটাবাৰীত এটি নৱজাতকৰ মৃতদেহ উদ্ধাৰ হয়। মানৱতাক ভু-লুণ্ঠিত কৰা এই ঘটনাই ৰাইজৰ মাজত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, বটাবাৰীৰ নিবাসী ফখৰুদ্দিন নামৰ লোকজনৰ ঘৰৰ দাঁতিতে থকা এটা পুখুৰীত উদ্ধাৰ কৰা হয় নৱজাতকৰ মৃতদেহটো। পুখুৰীৰ মেটেকাৰ ওপৰত পলিথিনেৰে মেৰিয়াই কোনো মানৱৰূপী দানৱে নৱজাতকটিক নিৰ্দয়ভাৱে পেলাই থৈ যায়। পিছত স্থানীয় ৰাইজে মৃতদেহটো প্ৰত্যক্ষ কৰাত অঞ্চলজুৰি এক হুৱাদুৱাৰ সৃষ্টি হয় আৰু উক্ত স্থানত বহুলোকৰ সমাগম হয়। কোনো লোকে নিজৰ কলংক লোকচক্ষুৰ পৰা আঁতৰাই ৰাখিবৰ বাবেই এনেদৰে নৱজাতকটিক হত্যা কৰি এনেদৰে পুখুৰীত পেলাই থৈ যায় বুলি ৰাইজে সন্দেহ কৰিছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# দালালৰাজ! ডবকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত হোজাই জিলা আমছুৰ প্ৰতিবাদ

**ই-সংবাদ, মোৰাঝাৰ, ২৬ ফেব্ৰুৱাৰীঃ** হোজাই জিলাৰ ডবকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয়ত চলি থকা দালালৰাজ বন্ধ কৰা আৰু হোজাই জিলাৰ বিভিন্ন প্ৰান্তত ভূ-মাফিয়াৰ দপদপনি ৰোধ কৰাৰ বাবে হোজাই জিলা আমছুৱে আজি ডবকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয়ৰ সন্মুখত প্ৰায় এঘণ্টা ধৰি প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদৰ অন্তত ছয়দফীয়া দাবী সন্নিৱিষ্ট এক স্মাৰক-পত্ৰ ডবকা ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী আৰু হোজাই জিলা আয়ুক্তলৈ প্ৰেৰণ কৰে। প্ৰাপ্ত তথ্য অনুসৰি আজি দুপৰীয়া এঘাৰ বজাত হোজাই জিলা আমছুৰ নেতৃত্বত প্ৰায় ডেৰ শতাধিক আমছু কৰ্মীয়ে ডবকা-ডিফু সংযোগী পথৰ মুখৰ পৰা হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ সমদল কৰি ডবকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয়ৰ সন্মুখলৈ আহে। কাৰ্য্যলয়ৰ সন্মুখত দালালৰাজ বন্ধ কৰক, ভূ-মাফিয়াৰ দপদপনি বন্ধ কৰক, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰৰ নামত দুৰ্নীতি আৰু অনিয়ম বন্ধ কৰক, উচ্ছেদিত লোকক সংস্থাপন দিয়ক, আজিৰ উদ্দিনৰ হত্যাকাৰীক গ্ৰেপ্তাৰ কৰক আদি শ্ল'গান দি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। হোজাই জিলা আমছুৰ নেতৃত্বই সংবাদ মাধ্যমৰ লগতে চক্ৰ বিষয়াগৰাকীৰ আগত অভিযোগ কৰি কয়-- জিলাখনত দালালৰ দপদপনি বৃদ্ধি পাইছে। দালালৰাজৰ বাবে গাঁৱৰ সাধাৰণ লোকৰ মাটি-বাৰীৰ কাম-কাজ দিনৰ পাছত দিন ধৰি কৰিব নোৱাৰা হৈছে। যাৰবাবে সাধাৰণ ৰাইজে হাৰাশাস্তিৰ সন্মুখীন হ'ব লগা হৈছে। দালালৰাজৰ সমান্তৰালকৈ হোজাই জিলাৰ বিভিন্ন প্ৰান্তত ভূ-মাফিয়াৰো দপদপনি বৃদ্ধি পাইছে। চৰকাৰী মাটি বেদখল কৰি পাছত এই দালাল আৰু ভূ-মাফিয়াই মোটা অংকৰ ধনৰ বিনিময়ত আনক বিক্ৰী কৰাৰো অভিযোগ কৰে হোজাই জিলা আমছুৰ নেতৃত্বই। চৰকাৰী মাটি বিক্ৰী কৰাৰ ভিডিঅ' ক্লিপ আৰু আন আন তথ্য লিখিতভাৱে জিলা প্ৰশাসনক দিয়াৰ পাছতো আজিলৈকে কোনো ব্যৱস্থা গ্ৰহণ কৰা দেখা নগ'ল বুলিও প্ৰতিবাদী আমছুৰ নেতৃত্বই অভিযোগ কৰে। অতিশীঘ্ৰে এই দালাল আৰু ভূ-মাফিয়াসকলক হোজাই জিলা প্ৰশাসনে চিনাক্ত কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাই সংগঠনটোৱে। আনহাতে, এজনৰ মাটি কৌশলেৰে আনৰ নামত কৰি নিশাৰ ভিতৰতে মাটি বেদখল কৰি পাছত আনক বিক্ৰী কৰা বুলি অভিযোগ কৰে। আমছুৱে প্ৰদান কৰা স্মাৰক-পত্ৰখনত হোজাই জিলাৰ বিভিন্ন প্ৰান্তত থকা সাধাৰণ লোকৰ মাটি-বাৰীৰ নথি-পত্ৰত সামান্য কিছু ত্ৰুটি থাকিলে এটি দুষ্ট চক্ৰই ভাৰাতীয়া অপৰাধী আনি নিশাৰ ভিতৰতে মাটি বেদখল কৰা, লামডিং সংৰক্ষিত বনাঞ্চলৰপৰা উচ্ছেদিত লোকৰ এটা অংশক সংস্থাপন দিয়াৰ বিপৰীতে আন বহু লোকক এতিয়ালৈকে সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ নকৰা, হোজাই জিলাত দিনকদিনে শিশুৰ বিৰুদ্ধে অপৰাধজনিত ঘটনা বৃদ্ধি পোৱা, জিলাখনৰ ৰাইকাটাত যোৱাবছৰ আজিৰ উদ্দিন নামৰ লোকজনক হত্যা কৰা দুৰ্বৃত্তক আজিলৈকে আৰক্ষীয়ে আটক কৰিব নোৱাৰা হোজাই জিলাত বৃদ্ধি পোৱা পথ দুৰ্ঘটনা, বিন্নাকান্দি উন্নয়.ন খণ্ডত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰৰ নামত সংঘটিত ব্যাপক অনিয়ম আদি অভিযোগৰ অতিশীঘ্ৰে তদন্ত কৰি ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনায়।

# দীঘেলীত ৰিম্পী বড়োৰ কবিতা পুথি উন্মোচন

**ই-সংবাদ, বৰমা, ২৬ ফেব্ৰুৱাৰীঃ** লক্ষ্যত উপনীত হ'বলৈ সাহস আৰু আত্মবিশ্বাস লাগিব। আজি কৰা কঠোৰ সংগ্ৰামেই কাইলৈ জয় হোৱাৰ পথ দেখুৱাব। ইচ্ছা কৰিলেই কবি হ'ব নোৱাৰি, কবি হ'বলৈ গভীৰ সাধনাৰ প্ৰয়োজন। জীৱনত সঠিক সংগ দিব পাৰে কলম আৰু কাগজেহে। আজি দীঘেলীত ছাত্ৰী ৰিম্পী বড়োৰ "তুমি ফাগুন ভালপোৱা মই ফাগুন হ'ম" শীৰ্ষক কবিতা পুথি উন্মোচন কৰি এইদৰে কয় বড়ো ভাষাৰ সাহিত্য একাডেমী বঁটাপ্ৰাপক সাহিত্যিক ৰশ্মি চৌধুৰীয়ে। ভাষণৰ লগতে সাহিত্যিক চৌধুৰীয়ে তিনিটা কবিতা আবৃত্তি কৰি সকলোকে আপ্লুত কৰে। টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এচোছিয়েশ্যনৰ সভাপতি অজিত কুমাৰ শৰ্মাই সভাপতিত্ব কৰা আৰু ত্ৰৈমাসিক সৌৰভ আলোচনীৰ মুখ্য সম্পাদক ঘনশ্যাম স্বৰ্গীয়াৰীয়ে উদ্দেশ্য ব্যাখ্যা কৰা, লগতে শিক্ষক নয়নজিৎ বড়োই আঁতধৰা সভাখনত মুখ্য অতিথি হিচাপে ভাষণ দি দীঘেলী হাইস্কুলৰ অৱসৰী প্ৰধান শিক্ষক হৰেন্দ্ৰ নাথ দাসে কয় যে জীৱনত আত্মীয় বা বন্ধুয়ো প্ৰতাৰণা কৰিব পাৰে কিন্তু কিতাপৰ বন্ধু হ'লে কেতিয়াও প্ৰতাৰণা নকৰে। গ্ৰন্থ অধ্যয়নে নিসংগতা দূৰ কৰাৰ লগতে সৎ বুদ্ধি, সৎ চিন্তা বৃদ্ধি কৰে বুলি উল্লেখ কৰে। গ্ৰন্থপ্ৰণেতা কবি ৰিম্পী বড়ো আৰু শিক্ষক ঘনশ্যাম স্বৰ্গীয়াৰীয়ে গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰা সভাখনত আৰ্যভট্ট একাডেমী টিহুৰ প্ৰবক্তা দীপজ্যোতি হালৈয়ে নিজৰ ভাষণত কোৰ-কোদাল ধৰা সহজ কিন্তু কলম ধৰা টান বুলি মন্তব্য কৰে। ৰিম্পী বড়োৱে আদৰণি ভাষণ দিয়া আৰু ধবেন স্বৰ্গীয়াৰীয়ে শলাগ জ্ঞাপন কৰা সভাখনত নিখিল বড়ো ছাত্ৰ সন্থাৰ বৰমা আঞ্চলিক কমিটিৰ সহকাৰী সম্পাদক সীমান্ত ব্ৰহ্মই ভাষণ দি সম্প্ৰতি নতুন প্ৰজন্মৰ মাজত মোবাইল প্ৰীতি, মোবাইলৰ ব্যৱহাৰ বৃদ্ধি পাইছে, কিন্তু ইয়াৰ লগে লগে গ্ৰন্থ অধ্যয়ন বৃদ্ধি পোৱা উচিত বুলি মন্তব্য কৰে। সভাখনত ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰি উদীয়মান কবিগৰাকীক উৎসাহিত কৰে।

# হাওৰাঘাটৰ যমুনা পাগলাথানত শিৱৰাত্ৰী উদযাপন

**ই-সংবাদ, হাওৰাঘাট, ২৬ ফেব্ৰুৱাৰীঃ** আজি শিৱৰাত্ৰি উপলক্ষে কাৰ্বি আংলং জিলাৰ হাওৰাঘাট থানাৰ অন্তৰ্গত পণ্ডিতঘাটৰ যমুনা পাগলাথান জাগ্ৰত শিৱ মন্দিৰ প্ৰাংগণত পুৱাৰ ভাগৰে পৰা দেখা যায় ভক্তিপ্ৰাণ ৰাইজৰ ভিৰ। লোকবিশ্বাস মতে এশ বছৰতকৈ অধিক সময় গৰকা এই পুৰণি শিৱ মন্দিৰত ভক্তই একান্ত মনে শিৱক আৰাধনা কৰিলে বিচৰা ধৰণে ফলপ্ৰাপ্তি হয়। মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি-সম্পাদক ক্ৰমে সুবুধ হাঞ্চে আৰু বিশ্বজিৎদেৱনাথে সমূহ ভক্তিপ্ৰাণ ৰাইজক চলিত শিৱ চতুৰ্দ্দশী উপলক্ষে এই মন্দিৰত এবাৰ আহি মহেশ্বৰক দৰ্শন কৰাৰ লগতে মন্দিৰভাগৰ মাহাত্ম অনুধাৱন কৰাৰ আহ্বান জনায়। ইফালে, পুৰণি মন্দিৰভাগ নৱ-নিৰ্মাণৰ বাবে কাম চলি থকাৰ কাৰণে এই বছৰ মন্দিৰৰ মূল থাপনাৰ পৰিৱৰ্তে ভক্তিপ্ৰাণ ৰাইজে পূজা কৰাৰ সুবিধাৰ্থে বটগছৰ তলত ব্যৱস্থা কৰা হয়। চলিত বৰ্ষৰ এই শিৱ চতুৰ্দ্দশী ২৬, ২৭ আৰু ২৮ ফেব্ৰুৱাৰীলৈকে অনুষ্ঠিত কৰাৰ লগতে মন্দিৰ পৰিচালনা সমিতিৰ বিষয়ববীয়া আৰু সমূহ ভক্তিপ্ৰাণ ৰাইজলৈ তিনিটি দিনৰ বৰ্ণাঢ্য কাৰ্য্যসূচীৰ শেষৰ দিনত মাহ-প্ৰসাদ বিতৰণ কাৰ্যক্ৰমত ৰাইজ উপস্হিত থাকি সমিতিক সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শ আগবঢ়াবলৈ আহ্বান জনাইছে আয়োজক সমিতিৰ সাধাৰণ সম্পাদক বিশ্বজিৎ দেৱনাথে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# আন্তঃক্লাব ক্ৰিকেটত লাইফ লাইন, ইলাইট ক্লাবৰ অগ্ৰগতি

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৬ ফেব্ৰুৱাৰীঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা সহজানন্দ ওজা সোঁৱৰণী আন্তঃক্লাব ক্ৰিকেট লীগ (ক্লাষ্টাৰ-২)ৰ আজিৰ খেলত লাইফ লাইন ক্লাবে নগাঁও ৰাজস্থানী যুৱক সংঘক ছয় উইকেটত আৰু নগাঁও ইলাইট ক্লাবে সান্নিধ্য দলক চাৰি ৰাণত পৰাজিত কৰে। ইয়াৰে, বিয়লিৰ ৰোমাঞ্চকৰ খেলখনত নগাঁও ইলাইট ক্লাবে পোনতে বেট ধৰি প্ৰিয়াংকু বৰদলৈৰ-২৭, ধীৰাজ শইকীয়াৰ-২৩ আৰু ৰিবুল ৰহমানৰ-১৪ ৰাণৰ উল্লেখ্যনীয় বৰঙনিৰে ১৮.৫ অভাৰত সকলোকেইটা উইকেট হেৰুৱাই ১০১ ৰাণ সংগ্ৰহ কৰে। বলিঙত সান্নিধ্যৰহৈ নুৰজামাল শিকদাৰে তিনিটা উইকেট পায়। প্ৰত্যুত্তৰত সান্নিধ্য দলটোৱে অধিনায়ক ৰিহান পাচাৰ-২২, আজিজুল ইছলামৰ অপৰাজিত-১৬ ৰাণৰ উল্লেখ্যনীয় অৱদান স্বত্বেও ২০ অভাৰত নটা উইকেট হেৰুৱাই ৯৭ ৰাণহে কৰিবলৈ সক্ষম হয়। বলিঙত নগাঁও ইলাইট ক্লাবৰহৈ প্ৰিয়াংকু বৰদলৈয়ে তিনিটা, মানিক হক আৰু দীপাংকৰ দাসে দুটাকৈ, অৰ্জুন দত্ত তথা ওৱাহিদুল ইছলামে এটাকৈ উইকেট পায়। আনহাতে, পুৱাবেলাৰ খেলখনত নগাঁও ৰাজস্থানী যুৱক সংঘই পোনতে বেট ধৰি ২০ অভাৰত ছটা উইকেট হেৰুৱাই ১৩৩ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত লাইফ লাইন ক্লাব দলটোৱে ১৭.৩ অভাৰত চাৰিটা উইকেটৰ বিনিময়তে ১৩৬ ৰাণ সংগ্ৰহৰে বিজয়লক্ষ্য অতিক্ৰম কৰে। ইপিনে, সান্নিধ্য দলটোৰ খেলুৱৈসকলৰ জাৰ্চীকে ধৰি বিভিন্ন দিশত নগাঁৱৰ "ডিউকেয়াৰ হস্পিতাল এণ্ড ৰিচাৰ্চ চেন্টাৰ" আৰু এন আৰ এছে সহযোগিতা আগবঢ়াইছে।

# পকীমূৰি ক্ৰিকেটত মুন এইটৰ জয়লাভ

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৬ ফেব্ৰুৱাৰীঃ** নেইষ্টৰ সমীপৰ নতুন গাঁও ক্ৰিকেট ক্লাব (এনজিচিচি), লিট'ল ষ্টাৰে ২১ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত কৰা বিনু দত্ত আৰু লালমণি শৰ্মাৰ সোঁৱৰণত অনুষ্ঠিত কৰা ক্ৰিকেটৰ আজি চূড়ান্ত খেলত মুন এইট ক্ৰিকেট দল বিজয়ী আৰু মিক্স এইট ক্ৰিকেট দল বিজিতৰূপে বঁটাসহ ২৬ হাজাৰ টকা লাভ কৰে। কৃপাল দত্তই আঁতধৰা অনুষ্ঠানত বহুসংখ্যক লোক উপস্থিত থাকে।



চেম্পিয়নছ ট্ৰফীত ইংলেণ্ডৰ বিৰুদ্ধে শতক অৰ্জনৰ পিছত কৰযোৰে প্ৰণিপাত আফগানিস্তানৰ ইব্ৰাহিম জাদৰানৰ

**চেম্পিয়নছ ট্ৰফীত ভাৰতৰ আধিপত্য, আইচিচি ৰেংকিঙৰ শীৰ্ষত শুভমন**

# শতকেৰে আইচিচি ৰেংকিঙৰ শীৰ্ষ পাঁচলৈ প্ৰত্যাৱৰ্তন বিৰাট কোহলিৰ

**নতুন দিল্লী, ২৬ ফেব্ৰুৱাৰীঃ** চেম্পিয়নছ ট্ৰফীত আধিপত্য প্ৰদৰ্শন কৰিছে ভাৰতীয় দলে। প্ৰথমখন মেচত বাংলাদেশৰ বিৰুদ্ধে শতক অৰ্জন কৰি দুৰন্ত আৰম্ভণি ঘটাইছিল শুভমন গীলে। ইয়াৰ পিছতে দ্বিতীয়খন মেচত বহু প্ৰতীক্ষাৰ অন্তত পাকিস্তানৰ বিৰুদ্ধে শতক অৰ্জন কৰি ফৰ্ম ঘূৰাই আনে বিৰাট কোহলিয়ে। এই প্ৰদৰ্শনৰ জৰিয়তে আইচিচি ৰেংকিঙতো উত্থান ঘটাবলৈ সক্ষম হয় কিং কোহলিয়ে। উল্লেখ্য যে, শেহতীয়া এদিনীয়া বেটছমেন ৰেংকিঙত নিজৰ শীৰ্ষ স্থান আৰু অধিক শক্তিশালী কৰিছে শুভমন গীলে। ৮১৭ ৰেটিং পইণ্টেৰে তেওঁ প্ৰথম স্থানত আছে। চেম্পিয়নছ ট্ৰফীত ব্যৰ্থ হোৱাৰ পিছত পাকিস্তানৰ অধিনায়ক বাবৰ আজমৰ ৰেংকিং পইণ্ট ৭৭০ লৈ হ্ৰাস পাইছে। অৱশ্যে আটাইতকৈ উল্লেখযোগ্য পৰিৱৰ্তন হৈছে বিৰাট কোহলিৰ ক্ষেত্ৰত। পাকিস্তানৰ বিৰুদ্ধে অপৰাজিত শতকৰ বাবেই তেওঁ শীৰ্ষ পঞ্চমত প্ৰৱেশ কৰিছে। নিউজিলেণ্ডৰ ডেৰিল মিচেলক অতিক্ৰম কৰি বিৰাটে ৭৪৩ পইণ্টেৰে তালিকাৰ পঞ্চম স্থানলৈ উন্নীত হৈছে। তালিকাৰ চতুৰ্থ স্থানত আছে দক্ষিণ আফ্ৰিকাৰ হেনৰিখ ক্লাচেন (৭৪৯)। এই তালিকাত ৭৫৭ পইণ্টেৰে তৃতীয় স্থানত আছে ভাৰতীয় অধিনায়ক ৰোহিত শৰ্মা। অৰ্থাৎ তিনিগৰাকী ভাৰতীয় বেটছমেনে শীৰ্ষ পাঁচটা স্থানত স্থান লাভ কৰিছে। ভাৰতীয় দলটোৱে চেম্পিয়নছ ট্ৰফীতো সেই আধিপত্য বজাই ৰাখিছে। ফলত গ্ৰুপ পৰ্যায়ৰ অন্তিমখন খেলত নিউজিলেণ্ডৰ মুখামুখি হোৱাৰ পূৰ্বে দলটোৰ মনোবল উচ্চ হৈ আছে। উল্লেখ্য যে, ভাৰতে শেষবাৰৰ বাবে ২০১৩ চনত এদিনীয়া ফৰ্মেটত আই চি চিৰ ট্ৰফী লাভ কৰিছিল। এইবাৰ চেম্পিয়ন ট্ৰফীত শক্তিশালী আৰম্ভণিৰ পিছত ভাৰতীয় দলটোৱে একেই প্ৰদৰ্শন অব্যাহত ৰাখি ট্ৰফী অৰ্জন কৰিব পাৰিব বুলি আশাবাদী ক্ৰিকেট অনুৰাগী।




newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি